Now let me come to grant No.5. This amount is meant for the Heads of States and Ministers. Here in the explanatory note it is said " the additional amount of Rs.28, 440.00 is required to meet the increase in the expenditure of telephone bills, telegram, Books and Periodicals, Liveries of servants etc and pending telephone bills of 1971-72". No explanation as to whether these telephone bills are of the Minister or Governor or of officers has been given. Then again we find in the explanatory note" "the additional expenditure of Rs.22,130.00 is required to meet the high cost of maintenance of motor cars, such as petrol, tyres, repairs, servicing etc." Here also no explanation has been given as to whther the cars belong to the Governor or Ministers or officers. Then again it is said in the explanatory note " additional expenditure of Rs.24,610 is required to meet the additional cost of maintenance of cars and jeeps and to meet the cost of air passages of the Governor on tour." This is also another maintenance. Then again we see in the explanatory note " the additional amount of Rs.5920 is required to meet the expenses of State Guests and parties during the year 1972-73". Here also no explanation has been given.

Apart from that, I want to submit that we have pointed out on several occasions as to how long we are to maintain the Governor, but Government has not given us any clarification. Sir, if you go through the supplementary demands of other States, viz: Meghalaya, Manipur, Nagaland and Tripura the same thing will depict. How long our Government will go on paying such amounts ? We want to know whether any step has been taken to ear-mark the amount which we shall have to pay from our State's exchequer for the maintenance of the paraphernalia of the Governor. As is said the Gover-

nor is an ornamental head, and we feel, such ornamental head is not necessary in the present circomstance. He is simply here and to cost our exchequer without serving any useful purpose in the matter of development of the State and other things including political settlement. As I have said Sir, our Governor is the Governor of four other States and that being the case, how can he deal with any disputes, such as boundary disputes between two or more States. He is giving one statement as the Governor of Assam, and another as the Governor of Nagaland or Meghalaya. We being the mother State of all these States, we have been pushed to the status of a Sub-State now. So Sir, as I have said before, if we are to maintain the Governor we shall have to see that our share of expenditure on him is not more.

Now I come to Grant No.6. It is said here " the additional amount of Rs.20,500 ..." Sir, here is a mistake. In the Grant it is 20,500 but in the explanatory note it is written 2050. It is the efficiency of the Finance Department (!) ( Shri S.Ahmad Ali one zero is very indistinct ) " Rs.205000 was immediately required to meet the expenditure on travelling allowances of the officers and staff and also for payment of the outstanding advertisement bills. The expenditure was unforeseen and hence could not be provided in the budget for the year 1972-73." Sir, the Chief Minister will bear me out that this can never be unforeseen. Expenditure for officials' tour is ear-marked in the budget. Contingency Fund is meant for emergency and to make expenditure from the Contingency Fund the circumstances must be extra-ordinary. Why the Finance Department could not foresee it ? Is it the machinery we have for preparation of Budget ? of course they are, as it appears, expert in issuing stricture on the Chairman, PAC and the Speaker. Sir, when the Speaker passed certain orders, the Finance Department was very careful in examinig the order and a stricture was issued on the Hon 'ble Speaker by the senior-most Additional Secretary to the Finance Department. I am mentioning this just to show how carefuly the Finance Department is. At last the Financial Commissioner had to tender an apology in writing to this humble self as also to the Hon'ble Speaker. I wander how they can take such a plea "unforeseen"; this august House can never agree to this.

Next Sir, I come to grant No. 7, "21-Administration of Justice" and we do not get any justice in time. Here an additional amount of Rs. 4,68,905/- is required under the above head 'due to inadequacy of provision in the Current Year's Budget and also for the establishment of 3 Benches of the Gauhati High Court at Imphal Agartala and Kohima. Of the amount of Rs 1,36,705 under "4-Conl tingencies", Rs. 4,505 are for satisfaction of the Supreme Court Decree in Civil appeal No. 2033 of 1968—Shri M. Gurumurty-*Vs* Accountant General and others. The amount of Rs. 4505 was advanced from tht contingency Fund during the year 1972-73." See how the Justice Department is functioning. My whole point is why should we pay for this ? The High Court is meant for all the States in this region and everyone has to share the expenditure. Whether it is shared by those States as well or whether only we are to maintain all these parapharnalia at the cost of our State resources ? Civil Appeal No 2033 of 1968 has been mentioned. Here I want to have a clarification. What was the case and what was the matter has not been clearly mentioned in the explanatory notes.

Now, under Grant No. 10, "26 Miscellaneous-Department-VI-Civil Supplies Department", if you go through, you will find that in the same department 8 cases have been lost. It only shows that the Law Department is not functioning, rather the Law Department is not in existence to represent the State. This is the position.

If we go through grant No. 14, you will find that an additiona amount of Rs. 14,146 is required for meeting the decretal cost in connection with acquisition of land for fishery in the District of Kamrup. The amount is very small here, but I want to point out that we have been rferring times and again on the floor of this august House about a *lacuna* in the matter of acquisition of land from the public. We hav been telling that some special cells are to be established to see t ings in a proper way. But what has happened, Sir ? Cases after cases are now coming into light. What happens is that the Government fix up rate (not the market rate) at a lower scale thereby giving rhe individual Pattadar a scope to go for appeal The individual pattadar use to get money in advance in protest and then he would file suits. When the cases come to Courts we lose them. We are to pay cost of the cases and the/time that is taken in the process of law increases the valuation of the land and thereby the State has to pay more. if proper assessment was made and correct valuation was made then such questions would not have arisen and the State in turn could save a lot of money. That *lacuna* has to be removed. In Grant No. 15, × "Animal husbandry", cases have been mentioned under explanatory notes. Here also because of the future Law Depertment we hav to pay compensation. The amounts, no doubt, are small but it is the matter of principle I am concerned with. In Grant No. 21, an amount of Rs. 14,900 required to meet the pay and allowances of the Maile and Sweepers in the Raj Bhavan during the current financial year. As the provision of Rs. 49,700 in the P. W. D. budget is inadequate, an advance of Rs. 14,900 was taken from the Contingency Fund. Hence the Supplementary appropriation to regularise the advance. Here also we come across the same plea, is inadequate and it seems that there will be no end to this system of 'inadequancy' if we do not

follow proper budget system. We have been telling to have performance budget and the Government also have assured us that they would do so but we are yet to see the Performance Budget coming in. Unless we follow that system I do not know what will be our financial position at the fag end of the Plan. A curious thing here is to mention that we have the money but we do not khow how to utilised it and when to utilise it. The process of redtapism is taking the upper hand and therefore we cannot have any realistic approach in the matter of having a performance Budget.

They are not afraid of the House, nobody is careful about the House. Here under Grant Ne. 21, it has mentioned about Small Cause Court. It has been mentioned 'the State of Assam filed an appeal against the judgement of the Small Cause Court and the appeal is pending in the Court. As per order of decree passed by the Small Cause Court is to be satisfied'. What is that ? Whether these people are careful to see these things, though the matter is very small. Will anybody be able to make out anything from this. After reading and reading only, we could understand something. If the book is handed over to my young friend Shri Bishnu Prasad, Minister of State for Flood Control ect., and to the new hon'ble members, they will not understand this. So, this has depicted a very bed picture. I did not know what is Small Cause Court. Laymen as we are, to educate us in the matter, proper explanation should have been given in this regard, as we are not experts. In the Explanatory Note, it has to be clearly mentioned why this Small Cause Court was there and what was the provision of such kind of court. If money is required to be drawn on certain works, nobody minds, but without allowing us to know what for the money is to be drawn how can we know the purposes ? My whole contention is there should not be drawal of money in advance from the Contingency Fund, it should be very sparingly used and it should not be used haphazardly. Only in times of emergency and in extra-ordinary circumstances, some amount of money can be drawn from the Contingency Fund in anticipation of the approval of the House. These 24 Demands are not genuine, this is my submission. Out of 24 Demands, 20 are only for decreed amount. Therefore, this has become a habit with this Government, and therefore, I suppose, it should be removed.

The root cau e for this is to be found out and this sort of lacuna is to be removed. I have already said on earlier occasions that there are officers, top-ranking officers who have been dealing with the financial matters years after years, they do not know the financial rules and regulations properly, we have come across such kind of officers during our examination in the Committees, some of them do not have even the simple knowledge of financial rules, although the rules and rrgulations are framed by them. One officer, during the course of our examination, explained to the Committee if the Cabinet decides upon something, Finance concorrnce is not necessary to be obtained therefter, and the Cabinet decision need not be processed through the Finance Department. This is the idea and knowledge of such kind of senior officers. So, how can we expect good and performance budget from such kind of officers. I submit to you, Sir,

the Finance department are not following rules and regulations properly and it has become a chronic affair. I submit that there should be clear guide-lines on these issues, if necessary the rules and regulations are to be re-oriented and the re-oriented systems are to be followed, because the same sort of financial rules and regulations are being followed since Independence although many more developments have taken place since then and circumstances of 1947 and 1973 are quite different. The 9 point developmental schemes are coming up and these schemes are to be made successful and to do this, atleast minimum knowledge of financial rules must be there with the offiicials who will execute such Schemes enunciated by the Chief Minister.

Sir, the money we have in the State could be utilised provided the financial process is geared up. Sir, the House Committees have made various suggestions in the matter but the Government is not in a position to go through the findings of the Financial Committees, especially the Public Accounts Committee. In their reports, the Public Accounts Comuittee has made various suggestions in respet of financial position, overdraft etc. But I do not think, anybody has shown these things to the Chief Minister for the last one year. I think nobody except the Minister for Parliamentary Affairs who was in the PAC. has got any idea about this. All the Ministers should go through the reports of the PAC's. and see the situation. Sometimes, it appeared that the officers did not examine the cases themselves and only at the time of giving evidence they will come and they want to have brief even inside the chamber. This is the way as to how these officers are paying respect to the legislature and following up to the recommendations of the Committees of the House. It is very good that the Chief Minister is very much sincere to implement 9-point programme to remove poverty and other things and bring up the downtrodden people to see the light of the day, but they will not see the light of the day even in 100 years in the machineries entrusted with the task of execution is geared up properly. If ihe government cannot make the officers work sincerely, these programmes cannot be executed, and the dream will remain as dream.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ—উপাধ্যক্ষ মহোদয়, পৰিপূৰক মঞ্জুৰী বিচৰা হৈছে আদালতৰ ডিক্ৰিৰ টকা দিবলৈ বুলি। এই আটাইবিলাক ডিক্ৰিৰ টকাই হৈছে চৰকাৰৰ ওচৰত পাবলগীয়া দৰমহাৰ টকা, কোনোবাই, ঘৰৰ ভাৰাৰ টকা অৰ্থাৎ চৰকাৰী কাৰ্য্যালয়ৰ বাবে ভাৰালৈ লোৱাৰ কাৰণে দিবলগীয়া টকা। অৰ্থাৎ ইয়াৰ পৰা এইটো ভালকৈ বুজিব পাৰি যে ইমান দিনে এই লোকসকলক চৰকাৰে অন্যান্য ভাবে তেওঁলোকৰ প্ৰাপ্যৰ পৰা বঞ্চিত কৰি ৰাখিছিল। যাৰ ফলত তেওঁবিলাকে আদালতলৈ যাবলৈ বাধ্য হয় আৰু তাৰ ফল স্বৰূপে এতিয়া তেওঁলোকক দিবলগীয়া হৈছে আদালতৰ ডিক্ৰিৰ কাৰণে। এই গোটেই বিলাক কেচতে চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ তলৰ পৰা ওপৰলৈ যিসকল বিষয়া নিয়োগ কৰা হৈছে সেই সকলৰ হেমাহি আৰু অকৰ্ম্মণ্যতাৰ কাৰণেই এনেকুৱা এটা পৰিস্থিতি হবলৈ পাইছে। যি সকলক চৰকাৰে চৰকাৰী পক্ষৰ উকীল হিচাবে ভাৰ দিছে কোনো কোনো ক্ষেত্ৰত তেওঁবিলাকৰ তদাৰকৰ অভাৱতেই কেচ বিলাকৰ ফল চৰকাৰৰ ফালে হোৱা নাই। তদাৰকৰ অভাৱ হলে কেতিয়াও কোনো মোকৰ্দ্দমা ভাল হব নোৱাৰে। চৰকাৰৰ ওপৰত মোকৰ্দ্দমা কৰিবলৈ হলে দেৱানী কাৰ্য্য বিধি আইনৰ ৮০ ধাৰা অনুসৰি নোটিচ

দিব লাগে আৰু সেই মতে চৰকাৰৰ পক্ষৰ বিভাগীয় নথি-পত্ৰ আদি যাবতীয় সকলো কাগজ ৰেডি কৰিব পাৰে। বিভাগে সেই বিভাগৰ কোনো কথা নিষ্পত্তি কৰিব নোৱাৰিলেহে আইন বিভাগলৈ পঠিওৱা হয় আৰু সেই মতে আইন বিভাগে যাবতীয় সকলো বিলাক কথা ঠিক কৰিব লাগে। কিন্তু বিভাগীয় লোকৰ হেমাহি অথবা অকৰ্ম্মণ্যতাৰ কাৰণেই আজি ইমান বিলাক কেচৰ ডিক্রিৰ টকা দিবলগীয়া হৈছে। চৰকাৰী বিষয়া সকলৰ উদাসীনতা নাথাকিলে ইমান বিলাক কেচত অসম চৰকাৰ পৰাজিত হব নালাগে। নহলে বিভাগৰ ভিতৰতে সকলো কথা নিষ্পত্তি কৰিবলৈ পালে কোনেও কেতিয়াও কেচ কৰিবলৈ যাব নোখোজে। সাধাৰণতে আদালতলৈ যাবলৈ কোনেও ইচ্ছা নকৰে। এই আটাইবিলাক কেচৰ কাৰণেই চৰকাৰৰ পক্ষৰ কাৰণে নিয়োজিত হোৱা উকীলকো বহুত হাজাৰ টকা দিবলগীয়া হৈছে অসম চৰকাৰে। আমাৰ ৰাইজৰ এটা শকত ধন এনেই নষ্ট হৈ গৈ আছে।

**Mr. DEPUTY SPEAKER** :- Mr. Talukdar, on which item you are speaking . You cannot speak on the general demand.

**Shri BADAN CHANDRA TALUKDAR** :- Sir, I am speaking on decreetal amount.

সময়ৰ অভাৱ কাৰণে আটাইকেইটাৰ কথাই একেলগে কবলৈ বিচাৰিছো। কিয়নো প্ৰায় আটাইবিলাকতে একে অৱস্থাই হৈছে। গতিকে সংক্ষিপ্তকৈ ডিক্রিৰ টকাৰ কথাটো কব বিচাৰিছো। এই বিলাক বিষয়ত আইন বিভাগৰ হেমাহি খুব স্পষ্টকৈ পৰিলক্ষিত হয়। কিয়নো উপযুক্ত পৰামৰ্শ আইন বিভাগৰ পৰা পোৱাত ইমান পলম হৈ যায় যে বহুতো ক্ষেত্ৰত মোকৰ্দ্দমাৰ আপীলৰ দিন পাৰ হৈ যায়। যদি আপীলৰ সময় পাৰ হৈয়েই যায় তেনেহলে সেই পৰামৰ্শই বা কি হব, ফলত ইমান বিলাক কেচৰ কাৰণে ডিক্রিৰ টকা দিব লগীয়া হৈছে। আকৌ চৰকাৰ পক্ষৰ পৰা কোনেওটো তদৰিৰ নকৰেই। ফলত তদৰিৰৰ অভাৱতো মোকৰ্দ্দমা নষ্ট হৈ যায়। গতিকে উপাধ্যক্ষ মহোদয়, মই এইবিলাক কথা আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি গোচৰ কৰিছো।

শ্ৰীচৈয়দ আহমদ আলি :—যদি কোনো বিভাগৰ কেচ চাবজুডিকেচন হৈ থাকে তেনেহলে সেই বিভাগে তাৰ হৈ দিচাইদ কৰে আৰু নোৱাৰিলেহে আইন বিভাগলৈ পঠিয়ায়।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—কেচটোৰ মেৰিট জাজ কৰিবলৈ আইন বিভাগলৈ পঠিয়ায়।

শ্ৰীচৈয়দ আহমদ আলি :—আমালৈ আহিলেহে জাজ কৰিব পৰা যায়।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—আইন বিভাগৰ পৰা কাগজ আদি চৰকাৰী উকিলৰ ওচৰলৈ আহোতে ইমান পলম হয় যে আপীলৰ সময় পাৰ হৈ যায়। এনেকুৱা বহুত উদাহৰণ মোৰ হাতত আছে। লাগিলে দিব পাৰো। মাননীয় সদস্য শ্ৰীদুলাল চন্দ্ৰ বৰুৱাই ডিমাণ্ড বিলাক বিতংকৈ আলোচনা কৰিছে, গতিকে মই বেছি বহলাই ব্যাখ্যা কৰিবলৈ নাযাও। কিন্তু বিভাগীয় বিষয়াৰ হেমাহি বা অকৰ্ম্মণ্যতাৰ কাৰণে যাতে এনেকৈ বছৰে বছৰে ৰাহিৰ টকা ডিক্রিৰ বাবদ ভৰিব লগীয়া নহয় তালৈ চৰকাৰক লক্ষ্য কৰিবলৈ আৰু এই অপচয় বন্ধ কৰিবলৈ দাবী জনালো।

এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী ঃ—উপাধ্যক্ষ মহোদয়, এই পৰিপূৰক মঞ্জুৰীৰ সংক্ৰান্তত যিবিলাক টকা বিচাৰিছে এই প্ৰায় আটাই বিলাকেই কেচৰ ডিক্ৰিৰ টকা। চৰকাৰে বিভিন্ন কেচত বিভিন্ন লোকক দিব লগীয়া হৈছে। ইয়াত আটাইতকৈ গুৰুতৰ কথা হৈছে যে এই বিলাক হবলৈ পাইছে আইন বিভাগৰ আৰু আন আন চৰকাৰী বিভাগৰ বিষয়া সকলৰ হেমাহি আৰু অকৰ্ম্মণ্যতাৰ কাৰণে। যাৰ কাৰণে আজি অসম চৰকাৰে কোটি কোটি টকা ডিক্ৰিৰূপে দিবলৈ বাধ্য হৈছে আৰু ইয়ালৈ পৰিপূৰক মঞ্জুৰীৰ দাবী লৈ আহিছে। কিন্তু এই টকা দিছে কাক, অৰ্থাৎ এই ডিক্ৰিৰ টকা পাইছে কোনে, মই কেইজন-মানৰ নাম পঢ়ি দিছো। তেওঁলোক হল খনিকৰ টি, ইষ্টেট, গিৰিধাৰীলাল তালওৱাৰ, প্ৰেম চান্দ ঘোষ, এম, গুৰুমূৰ্ত্তি, ৰাম গোপাল আগ্ৰহাৰি, আব্দুৰ জববৰ, ওমচান্দ শেৰমল, চৰ্দ্দাৰ চান্দ সিং, ধুবৰি অইল ইণ্ডাষ্টিজ, চৰ্দ্দাৰ চন্দ্ৰ সিং, নানাগ্ৰাম বিক্ৰম চান্দ ইত্যাদি। এই আটাইবিলাক অসমৰ বাহিৰৰ মানুহ। গতিকে অসম চৰকাৰৰ ৰাজহৰ ধন কেচৰ ডিক্ৰিৰ বাবদ পাইছে অসমৰ বাহিৰৰ মানুহে। সৰ্ব্ব মুঠ বত্ৰিশ টা কেচৰ ডিক্ৰিৰ বাবদ টকা বিচাৰিছে আৰু আটাইবিলাকেই পাইছে অসমৰ বাহিৰৰ মানুহে। ইয়াৰ মূল কাৰণ হৈছে আইন বিভাগত থকা কেৰোণ। বছৰৰ পিচত বছৰ ধৰি এনেকুৱা মোকৰ্দ্দমাৰ কথা আহে. ডিক্ৰিৰ কথা আহিছে তথাপি চৰকাৰৰ আইন বিভাগৰ গা নলৰে, চৰকাৰক সেই বিলাক কথাই স্পৰ্শ নকৰে। মই কেৰোণ বিলাক বিশদ ভাবে কবলৈ নাযাও, কিন্তু উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে এটা কথালৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো যেন এই বিলাক কথালৈ অলপ কাণ সাৰ কৰে।

উপাধ্যক্ষ মহোদয়, আজি এবছৰৰ আগতে চৰকাৰী উকীল নিয়োগৰ ক্ষেত্ৰত কি গুৱাহাটী কি তেজপুৰ সকলোতে কেৰোণ সোমাইছে। বিশেষকৈ গুৱাহাটীৰ কথাটোকে কওঁ। আগৰ থকা চৰকাৰী উকীলজনৰ কৰ্ম্মকাল উকলিল ছয় বছৰ কাম কৰাৰ পিচত যোৱা ফেব্ৰুৱাৰী মাহত। পিচে নতুন উকীল নিয়োগ কৰিবলৈ বদলি ডি, চি আৰু জিলা জাজৰ লগত পৰামৰ্শ কৰিবলৈ বদলি হৈ থাকিল, ডি, চি ব্যস্ত থকাত নতুন নিয়োজিত নিদিয়াকৈ তেওঁক চাকৰিৰ পৰা অব্যাহতি দিলে। জিলা জাজজনে ফেব্ৰুৱাৰী, মাৰ্চ, এপ্ৰিলৰ পিচত চাৰিজন লোকৰ এখন পেনেল পঠালে, তাৰ প্ৰথমজনে ল-এচিচটেণ্ট হিচাব থকা বাবে তেওঁক বাদ দি দ্বিতীয়জনক কাম কৰিবলৈ দায়িত্ব দি দিলে। কিন্তু লেণ্ডআৰক্ৰিটে-চন কেচত সোণাপুৰৰ চাহ বাগিছাত যত বিচাৰিলে ষাঠি ডাল গছো পাবলৈ নাই তাত আইন বিভাগে নিয়োগ কৰা চৰকাৰী উকীলে ষাঠি লাখ টকা দিছে। এখন বাগান শেষ হৈ গৈছে, তাত এডাল গছো পাবলৈ নাই অথচ তাৰ কাৰণে দিছে ষাঠি লাখ টকা। আইন বিভাগে নিয়োগ কৰা উকীলে উকালতি কৰি। সেই কেচৰ কোনো ৰেফাৰেন্সো পাবলৈ নাই। ওচৰৰ মাটিৰ মূলবো তুলনা কৰা নহল।

উপাধ্যক্ষ মহোদয়, অকল সোনাপুৰতে নহয় আন আন ঠাইতো তেনেকুৱাই কৰিছো উকীলজনে এই কেচ সমূহৰ কথা উল্লেখ কৰা কাৰণে দুমাহৰ ভিতৰতো কোনো কাৰণ বহুত ঠাইত আকো আৰবিট্ৰেচন কৰি তাৰ যোগেদি টকা দিছে, যি টকাও চৰকাৰী টকাহে। যিবিলাক কেচত চৰকাৰে যুজিছে সেই আটাইবিলাক কেচতে হাৰিছে। উকীল নিয়োগ সংক্ৰান্তত গুৱাহাটী-তেজপুৰৰ আটাইবিলাক ঠাইতে বহুতো কেৰোণ আছে। মই আপোনাৰ জৰিয়তে আইন মন্ত্ৰীক কব বিচাৰিছো যে এই আটাইবিলাক কেচতে আইন বিভাগৰ ওপৰৰ পৰা তললৈ সকলো বিলাক জড়িত আছে।

শ্ৰীচৈয়দ আহমদ আলি ঃ—ক্ষতিপূৰণ আইন বিভাগে ঠিক নকৰে, ৰেভিনিউ বিভা-গহে কৰে।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী ঃ—মই আইন মন্ত্ৰী ডাঙৰীয়াৰ জ্ঞাতাৰ্থে জনাও যে এই টকা-পইচা ঠিক কৰা সংক্ৰান্তত ডিষ্ট্ৰিক্ট জাজক আৰ্বিট্ৰেটৰ হিচাবে বিচাৰ কৰাৰ ক্ষেত্ৰত চৰকাৰী উকীলে মাটিৰ মূল্য হাইলি ইনফ্লাট কৰি লাখ লাখ টকা লোকক দিছে, যিবিলাক কাম কৰিব লাগিছিল চৰকাৰী উকীলে কিন্তু সেই কাম বিলাক নিয়াৰিকৈ কৰা নাই। একে মাটিয়েই হাজাৰ টকাত বিক্ৰি হৈছে, কিন্তু তাৰ কাষতে থকা মাটিৰ কাৰণে এক লাখ টকাকৈ ধৰি দিয়া হৈছে। একেডৰা মাটিৰেই কোনো অংশৰ কাৰণে বহুত বেছি দৰ কৰি পেলাইছে। এই বিলাক কথালৈ মই আইন মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিলে। কাৰণ আমাৰ চৰকাৰী উকীল সকলে এই দাম বঢ়োৱাৰ ঠাইত হ্ৰাস কৰিবলৈহে চেষ্টা কৰিব লাগিছিল।

এই কথা বিলাক আমি জনাই নহয় ৰাইজেও জানে। আইন বিভাগৰ এজন উকীলক চৰকাৰে ৰাইম এন্ড ৰিজন নোহোৱাকৈ বৰখাস্ত কৰিছে। এই কথাটো কাগজত ওলাইছে। যিমানেই কনফিডেনচিয়েল ৰ্বলি নকওক এই আটাইবোৰ কথাই আমি জানো। আইন মন্ত্ৰীয়ে উক্ত চৰকাৰী উকীলৰ নিয়োগ বন্ধ কৰাৰ পিচতে উপায়ন্তৰ পৰা এখন লিষ্ট বিচাৰি অনা হল। কিন্তু আজিলৈ সেই লিষ্টৰ পৰাও কাকো নিয়োগ কৰা নাই। আগৰ জনেই বেআইনী ভাবে কোনো হুকুম নোহোৱাকৈ কাম কৰি আছে। আইন মন্ত্ৰীয়ে উপায়ন্তৰ পৰা জুনিয়ৰ এডভোকেটৰ নাম থকা এখন লিষ্ট আনিছে। এই ধৰণে চৰকাৰৰ কোনো অৰ্ডাৰ নোহোৱাকৈ কাম কৰি আছে। চৰকাৰৰ ইৰেগুলাৰিটিৰ কাৰণে কেচৰ ডিক্ৰিৰ সংক্ৰান্তত টকা দি সম্মান ৰক্ষা কৰিব লগা হৈছে যাৰ ফলত ৰাইজৰ ধন অপচয় হৈছে। এইখিনিকে কৈ মই পৰিপূৰক মঞ্জুৰীটোৰ বিৰোধিতা কৰিছো।

**Shri PREMODHAR BORA:** ... in Assames....

মাননীয় উপাধ্যক্ষ মহোদয়, এই পৰিপূৰক মঞ্জুৰীৰ শিতানত বিত্ত মন্ত্ৰী মহোদয়ে যি মঞ্জুৰী উত্থাপন কৰিছে এই বিষয়ত চৰকাৰৰ ইৰেগুলাৰিটি সম্পৰ্কে কেইটামান কথা কব বিচাৰিছো। এই কেইটা হ'ল—

**Mr. DEPUTY SPEAKER**: I draw the attention of the Hon'blee members to the procedure and conduct of business that the debate on the supplementary grants shall be confined to the items constituting same and no discussion may be raised on the original grants nor policy underlying them save in so far as it may be necessary to explain or illustrate the particular items under discussion.

**Shri DULAL CHANDRA BARUA** : Sir, we can have discussion on the supplementary charge heads.

*শ্ৰীপ্ৰেমধৰ বৰা ঃ—আমি আশা কৰিছিলো মুখ্য মন্ত্ৰী যেতিয়া অৰ্থ মন্ত্ৰী হ'ল তাত এখন আমাৰ ৰাজ্য খনৰ উন্নয়নৰ কাৰণে উৎপাদন মন্ত্ৰী আঁচনি পাম তাৰ কাৰণে পৰিপূৰক মঞ্জুৰী বিচাৰি আগ বাঢ়ি আহিব। দেখা গ'ল যি কেইটা মঞ্জুৰীৰ দাবী আহিছে এই বিলাক আন ৰিয়েলিষ্টিক বাজেট। যি কেইটা কেচত চৰকাৰ হাৰিছে তাৰ টকা বিচাৰি আগবাঢ়ি আহিছে। ইয়াৰ দ্বাৰা আমাৰ শাসন তন্ত্ৰটো যে দুৰ্বল আৰু অকৰ্ম্মন্য সেইটোকে প্ৰমানিত হৈছে। আমাৰ কেইবা গৰাকী সদস্যই এই বিষয়ে বিতংকৈ কৈ গৈছে। নীতিগত ভাবে শাসন তন্ত্ৰটো শক্তিশালী হোৱা উচিত। ৰাজহোৱা ধন যাতে চৰকাৰৰ প্ৰশাসনৰ ব্যৰ্থতাৰ কাৰণে কেচ মামলাত অযথা ব্যয় বহন কৰিব লগা নহয় আৰু ফলপ্ৰসূ আঁচনি খৰচ কৰে তাৰ কাৰণে বিত্তমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**Shri SARAT CHANDRA SINHA (Chief Minister)**: Mr. Deputy Speaker Sir, I am thankful to the Hon'ble members for their observations on the charge supplementary demand. But Sir, Hon'ble member Mr. Dulal Barua has been a little unkind to our lawyers. Sir, we cannot expect them that they will look after every case. There are certain cases where we won and there are certain cases where we lose Sir it all depends upon the merit of the case. And we cannot also

expect Sir, that the department will be able to judge accurately the merit of each case. Similarly also, it is not fair to expect that the Law Department will be very accurate in determining the merit of the case. What we find in filing of a case is, once it is decided in the High Court and then appeal on it sent to the Supremeent Court in other way. It is not that the Government judges in the High Court do not know law, it is not so. Therefore, Sir, I would only like to assure the Hon'ble members that our lawyers are doing well and they are trying to do well. If there is any short comings that should not come up for severe criticism on the floor of the House.

**Shri DULAL CHANDRA BARUA** : Sir, My point is they do not appear on behalf of the Government.

**Shri SARAT CHANDRA SINHA (Chief Minister)**: I do not think it is so. Sir, coming to the expenditure on the Government I would say that the Governor belongs to 5 States. This matter was discussed many times in the floor of the House. The expenditure incurred on Governor and his office is borne by all the concerning states. The exenditure mention here is meant for maintaining the dignity of the Governor and the State which is included in the Charged Account.

Sir, with regard to the printing mistake which hon member Shri Dulal Chandra Barua has mentioned is not a mistake. If you/we carefully 2o through the figures at pages 55 then we will find a comma after go. If reads 20,500 otherwise the 'comma' would not have been there.

Then Sir, regarding the cost of 3 Benches recently opened, Kohima-Agartala and at Imphal. Initially the costs were borne by the Government of Assam but subsequently the cost was appropriated but all the costs will be borne by the Government of India. So, I think, there is nothing to be worried about.

Regarding the case of Mr. S. Jain Vrs. the State of Assam, I am giving the particular about it. This relates to the Tools and Plants, and was tried in the Munsif Court in Gauhati. It might be in connection with same vehicles or something like that. The amount involved is very small and the details are also not with me now. Sir, with regard to the Small Causes Court at Calcutta the details are not with me now and hence it will be difficult for us to tell about the constitution of the Court now. Moreover, we have placed these matters on the floor of the House in the form of Supplementary Demand and hence all the details itemwise cannot be given. Regarding the Small causes Court case at Calcutta it was tried and we had to pay the amount when the decree was issued.

Sir, regarding the Financial Rules, I would like to say that these Rules were framed long before 1947. After 1947 the things have changed to a great extent. It is said that if we want to establish society then the financial rules should be so framed so that we can quickly usher into such a society. There is no doubt that these old rules arestanding on the way but till these rules are amended we are to follow it Because they lue are rules and we cannot deviate from that. It is

also said that the high ranking officers of the Government are not well conversant with rules though the officers are very much expected to know the rules. It may so happen that an officers may not be well aware of a particular rule

**Shri DULAL CHANDRA BARUA**:—No Sir, if a junior officer is not well aware of particular rlue we can understand it, but when a senior officer of the rank of a Commissioner is ignorant of a rule, it is very serious.

**Shri SARAT CHANDRA SINHA** (**Chief Minister**:—I quite appreciate the ideals of the hon. member Shri Barua—an officer may interpret a rule in a different way than other, but this is not a case of ignorance.

**Shri DULAL CHANDRA BARUA**:—Sir, the Chief Minister should not defend the officers. When a thing has been decided in the Cabinet it should not be referred to Finance. This is very simple.

**Shri SARAT CHANDRA SINHA** (**Chief Minister**):—I am not defending any body, I am stating the facts. The context should be made known to us about this particular case. Sir, certain advice and suggestions have been offerred by the P. A. C. and I think if these. are implemented it will improve our condition. The points raised by Mrsh Barkataki, Mr. Talukdar and others are similar to those points which were raised by hon-member Shri Dulal Chandra Barua. Mrs. Barkataki has raised a point regarding Sonapur Tea Estate. This was decided long ago and in the year 1968 and this case was decided by the Revenue Departmen of the Government. Any way whatever might be the case anybody suspects anything in such a matter and if such facts are brought to the notice of the Government we will be glad to take action on that.

**Shrimati RENUKA DEVI BARKATAKI**:—Sir the Revenue Department has right to make ,payment in respect of compensation or for anything of this nature. But my point was that this has been referred to the arbitrarion at the instances of the Government lawyers and who is behind that and hance I made a referrence to that.

**Shri SARAT CHANDRA SINHA** (**Chief Minister**):—I would request Mrs. Barkataki, to give some more particular so that we can look into matter. Then Sir, Mr. Talukdar has raised a point that When a particular person is agrieved by the decision of the Government he has a right to go to the Court. It does not prove that this Government has done injustice. Similarly if a case is lost that does not mean that the particular lawyer who conducted the ease is in efficient, or that he has done anything wrong.

**Shrimati RENUKA DEVI BARKATAKI**:—Sir, I say that the lawyer himself is involved in the case.

**Shri SARAT CHANDRA SINHA** (**Chief Minister**):—It is and unkind remark.

**Shri DULAL CHANDRA BARUA:**—We say that he is involved. Can you say no.

**Shri SARAT CHANDRA SINHA (Chief Minister):**—If such involvement is brought to our notice we will lock into it. May I request the Hon'ble Members to give more pasticulars so that we can go into it.

**Mr. DEPUTY SPEAKER:**—There is a certain procedure for bringing much things before the House.

**Shri DULAL CHANDRA BARUA:**—At least the Hon'ble Member can make a referrence,

**Shri SARAT CHANDRA SINHA (Chief Minister):**—That is all that I have to say.

## VOTING ON SUPPLEMENTARY DEMAND FOR GRANTS FOR 1872-73

**Shri PARAMANANDA GOGOI (Miuister Revenue):**—Sir, I beg to move that an additional amount of Rs. 9,57,100, be granted to the Minitesr in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1973, for the administration of the head "9-Land Revenue".

**Mr. DEPUTY SPEAKER:**—Grant is moved.

শ্ৰীপ্ৰমোদ গগৈ ঃ—মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই কৰ্ত্তন প্ৰস্তাৱ কেইটামান উৎথাপন কৰিছো। ইয়াত ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যিখিনি টকা বিচাৰিছে সেই খিনি টকাৰ সৰহ ভাগেই হল কৰ্ম্মচাৰী সকলৰ ইণ্টাৰিম ৰিলিফ দিয়াৰ কাৰণে, গাওঁবুঢ়া বিলাকক এলাওৱেন্স দিয়াৰ কাৰণে, কামৰূপ জিলাৰ ল বৃদ্ধি কৰাৰ কাৰণে আৰু তাৰ লগতে ভাৰত চৰকাৰৰ নিৰ্দ্দেশ মতে ওৰ্ৱলড এগ্ৰিকালচাৰ চেনচাচ কৰাৰ বাবদ। ৰাজহ বিভাগে এই শিতানত কাম কৰাৰ লগতে এই কথাও আমি কব লাগিব যে, ৰাজহ কাম-কাজ বিলাক ভাল ধৰণে পৰীক্ষা কৰিলে সন্তোষজনক নহয়। যদিও ইয়াত কোৱা হৈছে যে, কাম বৃদ্ধিৰ কাৰণে কামৰূপ জিলাত কেইখন মান ল' বৃদ্ধি কৰা হল। এতিয়ালৈকে আমি জনা মতে ল' বৃদ্ধি কৰিলেও যদিও কামৰূপ জিলাৰ জৰিপ সম্পৰ্কে আৰু বিশেষকৈ যি কেইখন আইন চৰকাৰে পাচ কৰিছিল সেই আইন কেইখন কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত ৰাজহ বিভাগ বিশেষ তৎপৰ হব পৰা নাই।

উপাধ্যক্ষ ডাঙৰীয়া, আজি মই ৰাতিপুৱা ৰাজহ মন্ত্ৰীক এখন জাননী দিছো। যে ৰাজহ বিভাগৰ যিবিলাক আইন এই সদনত গ্ৰহণ কৰা হল, চিলিং আইন আৰু প্ৰজাস্বত্ব আইন এই দুই খন আইন ৰাষ্ট্ৰপতিৰ সম্মতি পোৱাৰ পিছত কাৰ্য্যকৰী কৰাৰ কাৰণে আজিলৈকে কোনো ব্যৱস্থা নকৰাৰ ফলত ৰায়ত বিলাকক মালিক বিলাকে অন্যায়ভাৱে উচ্ছেদ কৰিছে। আৰু এতিয়া মালিক বিলাকে তেওঁলোকৰ পুলিচৰ ওপৰত গোচৰ দিছে আৰু মই ৰাজহ মন্ত্ৰীক ইয়াৰ জাননী মতে আৰু পুলিচৰ গোচৰৰ ফলত কামৰূপ জিলাত এডিশ্যনেল ডি, চি য়ে সেই মাটি ১৪৫ ধাৰা মতে জব্দ কৰিছে আৰু কাকো তাত প্ৰৱেশ নিষেধ কৰি দিছে।

উপাধ্যক্ষ ডাঙৰীয়া, এতিয়া আমি এইখিনি বিচাৰ কৰি চাব লাগিব যে, ৰাজহ বিভাগ বা চৰকাৰৰ পুলিচ বিভাগ বা ডি, চি য়ে এনেকুৱা ধৰণৰ ব্যৱস্থা লোৱাৰ ফলত প্ৰকৃত পক্ষে ৰাজহ বিভাগৰ কৰ্ম্মচাৰী সকল বা সদনত গ্ৰহণ কৰা আইন বিলাক তেওঁলোকে

কাৰ্য্যকৰী কৰাৰ কাৰণে চেষ্টা কৰিছেনে নাই? নে সেই টকা বাঞ্চাল কৰিবলৈ চেষ্টা কৰিছে? এই বিষয়ে সন্দেহ নাই যে, চৰকাৰৰ ৰাজহ বিভাগৰ যি সকল কৰ্ম্মচাৰী সেই কৰ্ম্মচাৰী সকলে এই আইন বিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণে যত্ন কৰিব বুলি আশা কৰা যায়। কিন্তু অভিজ্ঞতাৰ পৰা দেখা গৈছে যে, সৰহভাল কৰ্ম্মচাৰীয়ে আইন বিলাক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত যি ভাবে মনোযোগ দিয়াৰ দৰকাৰ সেই ভাবে দিয়া নাই। বহুতো কৰ্ম্মচাৰীয়ে প্ৰকাশ্য আৰু পৰোক্ষ ভাবে আইন বিৰোধী কাম কৰে। চৰকাৰে কিছুমান দিনৰ আগতে শিৱসাগৰৰ ফাৰ্মিং কৰপৰেচন ইনগেৰেচন কৰিবলৈ ৰাজ্যিক মন্ত্ৰী হিতেশ্বৰ শইকীয়া গৈছে, মইও তাত উপস্থিত আছিলো। তালিকাত দেখা গল তাত থকা এচ, ডি, চি জনে তাত থকা লোক সকলক ফাৰ্মিং কৰপৰেচনৰ কাৰণে সংগঠন কৰাৰ পৰিবৰ্ত্তে, তেওঁৰ কাৰ্য্য কলাপে ফাৰ্মিং কৰপৰেচনৰ বিৰুদ্ধে কাম কৰাৰ প্ৰমাণ পোৱা গৈছে। আৰু তাৰ ফলত দেখা গৈছে যে, এতিয়াও তালিকা প্ৰস্তুত কৰা মতে কাম আৰম্ভ কৰিব পৰা নাই।

উপাধ্যক্ষ মহোদয়, মই এইখিনিতে এটা কথা চৰকাৰৰ পৰা জানিব বিচাৰো যে, ৰাজহ বিভাগৰ যিবিলাক কৰ্ম্মচাৰীয়ে প্ৰজাস্বত্ত্ব আইন, চিলিং আইনৰ বিৰোধে প্ৰকাশ্য বা পৰোক্ষ ভাবে কাম কৰাৰ প্ৰমাণ পোৱা যাব সেই বিলাকৰ বিৰুদ্ধে চৰকাৰৰ পক্ষৰ পৰা কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সেই ক্ষেত্ৰত চৰকাৰৰ এটা নিৰ্দ্দিষ্ট আশ্বাস বিচাৰো। কাৰণ ৰাজহ বিভাগৰ কৰ্ম্মচাৰী বিলাকে এই আইন কাৰ্য্যকৰী কৰা সম্পৰ্কে যদি একমত নহয় প্ৰকাশ্য আৰু পৰোক্ষ ভাবে বিৰোধ কৰে তেতিয়াহলে এই আইন কাৰ্য্যকৰী কৰা কঠিন হব। আৰু লগতে এই কথা দেখিছো যে, এই আইন পাছ হৈ যোৱাৰ পাচত কাৰ্য্যকৰী কৰাৰ কাৰণে বিশেষ ব্যৱস্থা যিবিলাক হব লাগিছিল সেই বিলাক হোৱা নাই। এই সময় ছোৱাৰ ভিতৰত ৰায়ত বিলাকক ব্যাপক ভাবে উচ্ছেদ কৰাৰ এটা প্ৰচেষ্টা চলিছে। সেই ক্ষেত্ৰত আমি চৰকাৰৰ পৰা আশা ৰাখিছো আৰু দাবী কৰো যে, চৰকাৰে ডি, চি, বিলাকক আৰু পুলিচ বিলাকক এই নিৰ্দ্দেশ দিয়া প্ৰয়োজন যাতে কোনো ডি, চি য়ে কোনো মহকুমাধিপতিয়ে আৰু কোনো পুলিচ বিষয়াই প্ৰজাস্বত্ত্ব আইনৰ বিৰুদ্ধে হস্তক্ষেপ নকৰে। তেওঁলোকে ৰায়তক উচ্ছেদ কৰাৰ পৰিবৰ্ত্তে এই আইনত ৰায়ত সকলৰ যি অধিকাৰ স্বীকাৰ কৰা হৈছে সেইটো দিব লাগে।

উপাধ্যক্ষ ডাঙৰীয়া, এই খিনিতে এটা প্ৰশ্ন উঠিব পাৰে তেনেকুৱা যে, তেনেকুৱা নিৰ্দ্দেশ দিয়া সম্ভৱপৰ হয়নে নহয়? আজি কেই দিন মানৰ আগতে যোৱা ২৪ তাৰিখে বাৰ্তাৰ কাকতত প্ৰকাশ হৈছে পশ্চিম বঙ্গৰ ৰাজ্যিক চৰকাৰে প্ৰজাস্বত্ব আইন বিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে বিধান সভাত এই কথা ঘোষণা কৰিছে। যে তেওঁলোকে সকলোবিলাক ডি, চি আৰু পুলিচ বিভাগক নিৰ্দ্দেশ দিছে তেওঁলোকে যাতে এইবিলাক ক্ষেত্ৰত হস্তক্ষেপ নকৰে আৰু ৰায়ত বিলাকৰ সংৰক্ষণ কৰাৰ কাৰণে আইনত যি বিলাক নিৰ্দ্দেশ আছে সেই বিলাক যাতে কাৰ্য্যকৰী কৰাত সহায় কৰে। গতিকে চৰকাৰৰ পক্ষৰ পৰা এই দুইটা বিভাগৰ লগত যদি সংযোগ নাথাকে তেতিয়া হলে অসুবিধাৰ সম্মুখীন হব লাগিব। যদি পাৰে এখন অৰ্ডিনেস জাৰি কৰিব লাগে। বৰ্ত্তমান যিবিলাক ৰায়ত আছে সেই বিলাকক কোনো প্ৰকাৰে উচ্ছেদ কৰিব নোৱাৰে।

কাৰণ সিদিনা ৰাজহ মন্ত্ৰীৰ লগত আলোচনা কৰোতে এই কথা অনুমান হৈছে যে বৰ্ত্তমান যিটো পদ্ধতি সেই পদ্ধতিৰে সমস্যা সমাধান কৰোতে আৰু ১ বছৰ সময় লব পাৰে। কিন্তু এই ১ বছৰৰ ভিতৰত ৰায়ত সকলক সংৰক্ষন কোনে দিব? গতিকে এই ১ বছৰ হয় মানে ৰায়ত স্বত্ব কাৰ্য্যকৰী নহব। সেই কাৰণে মই দাবী কৰো যেন এই সময় চোৱাৰ ভিতৰত কোনো ৰায়তকে যেন মালিক সকলে উচ্ছেদ কৰিব নোৱাৰে তাৰ কাৰণে পুলিচ বিভাগক, উপাযুক্ত সকলক, মহকুমাধিপতি সকলক নিৰ্দ্দেশ দিব লাগে আৰু

সম্ভৱপৰ হলে এখন অৰ্ডিনেঞ্চ কৰিব লাগে যাতে কোনো ৰায়তকে উচ্ছেদ কৰিব নোৱাৰে। লগতে এই কথাও দাবী কৰো যে এই ক্ষেত্ৰত যিখিনি আইন কাৰ্য্যকৰী কৰাৰ কাৰণে প্ৰতি স্তৰত প্ৰত্যেক কামৰ কাৰণে চকু দিব লাগে তাৰ কাৰণে যথেষ্ট সময়ৰ প্ৰয়োজন হব আৰু বহুত অসুবিধাই দেখা দিব পাৰে। সেই কাৰণে এই বিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে মহকুমা স্তৰত এখন ষ্টেটুটৰী কমিটি গঠণ কৰিব লাগে যাতে স্থানীয় প্ৰত্যেকেই অৰ্থাৎ ৰায়তে ইয়াত অংশ গ্ৰহণ কৰিব পাৰে।

উপাধ্যক্ষ মহোদয়, সেই কাৰণে মই ৰাজহ মন্ত্ৰী মহোদয়ক তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিলো, লগতে এই কথাও স্পষ্টকৈ ঘোষণা কৰিব লাগে যেনেকৈ কেৰেলাৰ ক্ষেত্ৰত নকৰেই পশ্চিমবঙ্গ চৰকাৰে যোৱা পৰহিৰ কাগজত প্ৰকাশ পাইছে যে সেই মাটিৰ মালিকৰ পক্ষে নামাতে দৰকাৰ হলে মাতিৰ ৰায়তৰ কাৰণে আৰু তাৰ কাৰণে দৰকাৰ হলে ভাৰত প্ৰতিৰক্ষা আইন ব্যৱহাৰ কৰিব, ঠিক তেনেকৈ খাদ্য অনাটনৰ কাৰণেও ভাৰত প্ৰতিৰক্ষা আইন প্ৰয়োগ কৰিব। এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ পৰা স্পষ্ট ঘোষণা বিছাৰিছো যাতে এই আইন কাৰ্য্যকৰী কৰাৰ কাৰণে সকলো ক্ষমতা প্ৰয়োগ কৰিব লাগে আৰু মাটিৰ মালিকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু আৱশ্যক হলে ভাৰত প্ৰতিৰক্ষা আইনৰ ব্যৱস্থা কৰাটো মই দাবী কৰো।

শ্ৰীপিতসিং কোৰৰ :—মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য গগৈ ডাঙৰীয়াই সকলোৰে তৰফৰ পৰা যি কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰিছে তাক সমৰ্থন কৰি দুষাৰমান কব খুজিছো।

আমাৰ ৰাজহ মন্ত্ৰী ডাঙৰীয়াই ১,৫৭,১০০ টকা আগৰ টকাৰ বাহিৰেও অতিৰিক্ত টকা বিছাৰি আৰু এই খিনি টকা গাওঁবুঢ়াক ভাট্টা দিব লাগে বুলি কৈছে। মই চৰকাৰৰ পৰা জানিব বিছাৰিছো যে ১৯৭১-৭২ চনত গাওঁবুঢ়া সকলক ভাট্টা দিয়া হোৱা নাছিল নেকি? আমি জনাত ১৯৭১-৭২ চনত এই ভাট্টা দিয়া হৈছে। গতিকে এইটো এটা ৰেগুলাৰ নিয়ম। ১৯৭১-৭২ চনত পাইছে। ১৯৭২-৭৩ চনত চৰকাৰে আকৌ অৰ্থাৎ বিত্ত বিভাগে লেটাৰ অৱ ক্ৰেডিট উলিয়ালে। পইচাটো মাহে মাহে দিব আৰু মাহে মাহে খৰছ কৰিব আৰু খৰছ কৰিব নোৱাৰিলে আগতীয়াকৈ ঘুৰাই দিব গতিকে গাওঁবুঢ়াক ভাট্টা দিবলৈ নতুনকৈ কিয় এই ব্যৱস্থাটো কৰিব লগা হ'ল। গাওঁবুঢ়া সকলৰ পইচা দিয়াৰ উজু-হাত দেখুৱাই চোৰাং ভাবে নতুনকৈ টকা নিয়াৰ হে ব্যৱস্থা কৰিছে। এইবোৰ হৈয়ে আছে, বাকী এই বিলাক ৰাইজক দেখুৱাবলৈ উপঢৌকন মাথো।

উপাধ্যক্ষ মহোদয়, এইফালে মন্ত্ৰী মহোদয়ে টকা বিছাৰিছে গাওঁবুঢ়াৰ কাৰণে, কিন্তু কিছুমান গাওঁবুঢ়া ইতিমধ্যে খাবলৈ নাপায় মৰি গৈছে। গতিকে মৰা সকলকো হিচাবত ধৰি পইছা বিছাৰিলে আমি কেনেকৈ দিম? কামৰূপ আদি জিলাত মণ্ডল বিলাকক চেনচাচ কৰিবলৈ দিয়া হৈছে ৰাইজৰ মঙ্গলৰ কাৰণে। মঙ্গল হয়নে অমঙ্গল হয় কব নোৱাৰো। নিগমৰ কথা কোৱা হৈছে মোৰ বিশ্বাসেৰে নিগম গৈ দুৰ্গম হব যেনহে লাগিছে। এই নিগম কৰি-বলৈ প্ৰতিটো মহকুমাৰ পৰা স্থানীয় বিধান সভাৰ সদস্য সকলে ২৫ জন মাটিহীনলোকৰ নাম দিবলৈ দিছে আৰু তেতিয়াহে মাটি পাব। কিন্তু বিধান সভাৰ সদস্য সকলে এই কাম কৰি-বলৈ সক্ষম নহব কাৰণ আটাইবিলাকেই মাটিহীন। সেইটো কবলৈ গলে স্থানীয়লোকে মাটি নাপাব আৰু গোটেই জিলাতে অশান্তিৰ সৃষ্টি হব আনহাতে সদস্য সকলেও নিজৰ ইচ্ছামতে যি হয়তো নিৰ্ব্বাচনত সহায় কৰিছিল তেওঁৰ নাম ভৰ্ত্তি কৰিব কিন্তু তেওঁ প্ৰকৃততে মাটি হীন নহবও পাৰে। গতিকে এইখিনিতে সুযোগ পাই মই ৰাজহমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিলো যেন এই দায়ীত্ব প্ৰকৃততে এজন বিষয়াৰ ওপৰত এৰি দি আমাক

যেন তাৰ পৰা ৰেহাই দিয়ে । আনহাতে মণ্ডল কাননগোৰ যে কি কাৰবাৰ । আমাৰ মাননীয় সদস্য শ্ৰীদেবেন বৰা ডাঙৰীয়াৰ এটা প্ৰশ্ন দেখি দুখ পালো তেখেতে দৰং জিলাৰ বালিপাৰাৰ কথা কৈছে কিন্তু তেখেতৰ ঘৰৰ ওচৰৰে জতাবাৰী মৌজাৰ ভকুমাৰী ৰিজাৰ্ভৰ মাটিৰ বন্দবস্তীৰ কথা কোৱা নাই । (হাহিৰ খলকনি) ইফালে কিছুমান দা-হাতুৰী লৈ বহি আছে জীৱৰ তাড়নাত, বাস্তৱ ক্ষেত্ৰত এইবোৰ চলি আছে ।

**Mr. DEPUTY SPEAKER** : The House stands adjourned for lunch till 2 P. M.

After Lunch

**Announcement by the Speaker**

**Mr. SPEAKER**: Here is an announcement. Under Rule 312 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I shall now announce the names of the Members constituting the House Committee.

1. Shri Govinda Chandra Bora, Chairman.
2. Shri Chandra Bahadur Chetri,
3. Shri Debendra Nath Bora,
4. Shrimati Satyavati Goswami,
5. Shri Nagendra Baruah,
6. Shri Kehoram Hazarika,
7. Shrimati Syeda Anwara Taimur,
8. Shri Kosheswar Bora,
9. Shri Hiranya Bora.

VOTING ON SUPPLEMENTARY DEMANDS FOR GRANTS FOR 1972-73

**শ্ৰীবদ নচন্দ্ৰ তালুকদাৰ** :—মাননীয় অধ্যক্ষ মহোদয়, ৰাজহৰ শিতানত যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেইটো মই সমৰ্থন কৰিছো । এই ১নং দাবীৰ শিতানত ৰাজহৰ যি পৰিপূৰক মঞ্জুৰী বিচাৰিছে তাৰ ব্যাখ্যাত এইটো কোৱা হৈছে যে গাওঁবুঢ়া সকলক ১৯৭১-৭২ চনত অতিৰিক্ত ভাত্তা দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই ১৯৭১-৭২ চনত যি বাকী ভাত্তা দিবলগীয়া আছে আৰু তাৰ কাৰণে মূল বাজেট উত্থাপন কৰা সময়ত কিমান খিনি ভাত্তা বাকী পৰিছিল সেইখিনি যোৱা বছৰৰ আগতে চৰকাৰৰ জনা আছিল। আন এটা কথা কবলগীয়া হৈছে যে যিখিনি ভাত্তা গাওঁবুঢ়া সকলক বছেৰেকীয়া পাৰিতোষিক হিচাবে দিবলগীয়া হৈছে সেইটোৱে তেওঁলোকৰ কাৰণে যথেষ্ট নহয়— তাৰোপৰি তেওঁলোকৰ কোনো কামত নাহে। এই গাওঁবুঢ়া সকলক তেওঁলোকৰ কামৰ ওপৰত সামান্য পাৰিতোষিক ভাত্তা দি এনে ভাবে ৰখা হৈছে যে এইখিনিৰে তেওঁলোকৰ যি কাম সেইটো সুচাৰুৰূপে চলাব নোৱাৰে।

এই গাওঁবুঢ়া সকলক বহুতো ক্ষেত্ৰত বহুতো ৰাজনৈতিক দলে একোজন সক্ৰিয় সদস্য হিচাবে ব্যৱহাৰ কৰা দেখা যায়। কোনো কোনো ৰাজনৈতিক দলে তেওঁলোকক তেওঁলোকৰ বিষয় ববীয়া হিচাবে ব্যৱহাৰ কৰে।

কৃষিৰ ক্ষেত্ৰত উল্লেখ কৰা হৈছে যে মাটিৰ পৰিসংখ্যাটোত কেৱল কামৰূপ জিলাৰ কথাহে কোৱা হৈছে। এই সংক্ৰান্তত মই কব বিচাৰিছো যে ভূমি সংস্কাৰৰ যিবিলাক আইন বিধান সভাই গ্ৰহণ কৰিছে সেই আইনবোৰ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত লেহেম ব্যৱস্থাৰ কাৰণে

আজি মাটিৰ মালিক সকলে ৰায়ত সকলক উচ্ছেদ কৰিবলৈ সক্ষম হৈছে। শ্ৰীগগৈ ডাঙৰীয়াই কোৱাৰ দৰে ৰেকৰ্ড অৱ ৰাইট নোহোৱাৰ কাৰণে আজি ৰায়তক মাটিৰ পৰা উচ্ছেদ কৰিছে। মই এইখিনিতে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে ৰবি শস্যৰ কাৰণে খেতিয়ক সকলক ট্ৰেক্টৰ ধাৰে দিয়াৰ কথা আছে। কিন্তু এই ট্ৰেক্টৰ খেতিয়কক ধাৰে দিয়াৰ কাৰণে নহয়—ই ৰায়তক উচ্ছেদ কৰাৰ কাৰণে ব্যৱস্থা কৰা হৈছে। কাৰণ মাটিৰ মালিক সকলে ট্ৰেক্টৰৰ দ্বাৰা খেতি কৰিবলৈ গৈ ৰায়তক মাটিৰ পৰা উচ্ছেদ কৰিছে। সেই কাৰণে এইবিলাক যদি অনতি পলমে বন্ধ কৰা নহয় তেতিয়াহলে ভূমি সংস্কাৰ আইন প্ৰযোজ্য নহব। গতিকে এইবিলাক ভূমি সংস্কাৰ আইন খৰতকীয়া ভাবে কাৰ্য্যত নিয়োগ কৰিবলৈ আৰু ৰেকৰ্ড অৱ ৰাইটচ তালিকা তৈয়াৰ কৰিবলৈ মই চৰকাৰক দাবী জনাই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

**শ্ৰীনগেন বৰুৱা** :—মাননীয় অধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ শিতানত উত্থাপিত হোৱা এই কৰ্ত্তন প্ৰস্তাৱৰ শিতানত মাননীয় সদস্য সকলে কৈ গৈছে। কামৰূপ জিলাৰ কৃষি সম্পৰ্কে পৰিসংখ্যাৰ বাবে কিছুমান টকা বিচাৰিছে। কৃষি সম্পৰ্কে যিবিলাক চৰকাৰৰ তথ্য পাতি আছে সেই বিলাক সাধাৰণতে নিৰ্ভুল বুলি কব নোৱাৰি। আনুমানিক কিছুমান পৰিসংখ্যাৰ ওপৰত আমাৰ দেশৰ কৃষি সম্পৰ্কে সকলো বিলাক চলি আছে। আধুনিক বৈজ্ঞানিক পদ্ধতিৰে সৈতে কৃষি সম্পৰ্কে তথ্য-পাতি গ্ৰহণ কৰাৰ কাৰণে আজিলৈকে চৰকাৰে কোনো ব্যৱস্থা কৰা নাই। আমাৰ চৰকাৰে কোনো ৰকমে প্ৰগতিশীল কৃষি আঁচনি কাৰ্য্যকৰী কৰিব নোৱাৰে। কেৱল কামৰূপ জিলাৰ পৰিসংখ্যা গ্ৰহণৰ কাৰণে ৰাজহৰ শিতানত টকা ধৰা হৈছে। বাকী কেইখন জিলাতো পৰিসংখ্যাৰ অভাৱ আছে। সেই অভাৱ পূৰণৰ কাৰণে একো ব্যৱস্থা কৰা নাই। এখন জিলাৰ পৰিসংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি বাকী জিলা কেই-খনৰ কৃষি সম্পৰ্কে আঁচনি যুগুত কৰিব নোৱাৰে।

এই কাৰণে মই দাবী কৰো যে কামৰূপ জিলাত ৰাজহ বিভাগ বা কৃষি বিভাগে এই সম্পৰ্কত যিবিলাক তথ্য-পাতি আহৰণ কৰিবৰ কাৰণে চেষ্টা কৰিছে ঠিক সেই দৰে অসমৰ আন আন জিলাতো এইদৰে কৃষি সম্পৰ্কীয় পৰিসংখ্যা সংগ্ৰহ কৰাটো নিতান্তই আৱশ্যক, কিয়নো আজি আধুনিক বৈজ্ঞানিক যুগত কৃষিৰ উন্নতিৰ কাৰণে কৃষি সম্পৰ্কীয় বহুখিনি তথ্য-পাতিৰ প্ৰয়োজন। কৃষি বিভাগে যদি এইদৰে বিভাগীয় সংশ্লিষ্ট বিষয়াৰ দ্বাৰা এনে-বোৰ তথ্য-পাতি আহৰণ নকৰে অকল কামৰূপ জিলাতেই যদি কৰে তেতিয়াহলে এই যি পৰিসংখ্যা গোটোৱা হব সেইটো অসমৰ সৰ্বযোগ্য পৰিসংখ্যাত পৰিণত নহব। গতিকে এই ফালৰ পৰা এই যিটো ৰাজহৰ দাবী এই দাবীৰ যিটো সংশোধনী আহিছে সেই মতে চৰকাৰে কৈছে যে অসমৰ কৃষিৰ উন্নতিৰ কাৰণে চৰকাৰে যিবোৰ আঁচনিৰ তৈয়াৰ কৰিবলৈ বিচাৰিছে, এনে ক্ষেত্ৰত মই কব বিচাৰো যে অসমৰ প্ৰত্যেকখন জিলাতে পৰিসংখ্যা গোটা-বলৈ ব্যৱস্থা গ্ৰহণ কৰক।

আজি চৰকাৰে যিটো দাবী কৰিছে সেই মতে চাবলৈ গলে দেখা যায় যে এই চৰকাৰী যন্ত্ৰটোৱে কাৰ্য্যৱলী হাতত লৈছিল সেই বিলাক যোৱা এবছৰত এটাও পালন কৰিব পৰা নাই যিবিলাক বিষয়ে মন্ত্ৰী ডাঙৰীয়াই এই বাজেট বক্তৃতাত আশ্বাস দিছিল। যোৱা বছৰটোত চৰকাৰে এই প্ৰশাসনীক গাঠনিটো প্ৰশাসনীক যন্ত্ৰটোৰ এটা 'ষ্ট্ৰাকচাৰেল চেঞ্জ' অনাৰ কথা কৈছিল কিন্তু আজিলৈকে তেনে ধৰণৰ ষ্ট্ৰাকচাৰেল চেঞ্জ আমাৰ চকুত ধৰা পৰা নাই। গতিকে এনে ধৰণৰ প্ৰশাসনীয় যন্ত্ৰটো লৈ আজি চৰকাৰে যি কামৰূপ জিলাৰ কৃষি সম্পৰ্কীয় তথ্য-পাত সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰিব বিচাৰিছে, সেইটো অবাস্তৱ কথা, সেই ফালৰ পৰা এই সংশোধনীটো সমৰ্থন কৰি এই দুষাৰ কথা কৈ বক্তব্যৰ সামৰণি মাৰিলো।

**শ্ৰীদুলাল চন্দ্ৰ বৰুৱা** :—মাননীয় সদস্যা গৰাকীয়ে কোৱাৰ আগতে এই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই দুআষাৰমান কব বিচাৰিছো। আমি জানিব পাৰিছো যে কৃষি বা ৰাইজৰ সম্পৰ্কত বহুত নতুন নতুন আইন কানুন তৈয়াৰ হল নতুন নতুন আইনৰ সৃষ্টি হল কিন্তু এই নতুন নতুন আইনবোৰ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত তাক প্ৰযোজ্য কৰিবৰ কাৰণে আমাৰ যিখন পুৰণা ৰেভিনিউ মেনুৱেল আছে সেই খন আজি পৰ্য্যন্ত শুদ্ধিকৰণৰ ব্যৱস্থা নহল। চৰকাৰে এই শুদ্ধিকৰণৰ কিবা ব্যৱস্থা হাতত লৈছে নেকি? যদি লোৱা নাই তাৰ দ্বাৰা এই প্ৰশাসনীক যন্ত্ৰটোত যথেষ্ট পৰিমাণৰ বাধা আহি পৰিব। চৰকাৰে কাগজে পত্ৰে কিছুমান নতুন নতুন আচনিৰ কথা কৈ বিল উত্থাপন কৰে আৰু বাহিৰত গৈ ডাঙৰ ডাঙৰ কথা কৈ বক্তৃতা ফুলজাৰি মাৰি চচিয়েলিষ্টিক পেটৰ্ণনচ অব চচাইটি গঠন কৰাৰ কথা কয় কিন্তু আজিলৈকে সেই আইন কানুনবোৰ প্ৰযোৰ্য্য কৰা ব্যৱস্থা হাতত লোৱা দেখা নগল। এই সম্পৰ্কত মই জানো যে আজি পৰ্য্যন্ত চৰকাৰৰ যি খন ৰেভিনিউ মেনুৱেল যি খনৰ আইন কানুনৰ দ্বাৰা ৰেভিনিউ প্ৰশাসন ইত্যাদি চলে সেই খন আওপুৰনি, সেই খনকে আজিলৈকে শুদ্ধ কৰাৰ ব্যৱস্থা নললে মাজতে ২।১ টা সংশোধন কৰাহে দেখা যায়, পুৰণা স্বত্ববিলাক এতিয়া খাপ নোখোৱা হৈছে গতিকে আইন-কানুন বিলাক কেৱল মণ্ডল কানুনগুৰ কাৰণেহে হোৱা যেন অনুমান হয়।

ভূমি নীতি কৰি চৰকাৰে মিগম খুলিবলৈ যো-জা কৰিছে কিন্তু এই ক্ষেত্ৰত চৰকাৰে কিহৰ আইন কানুন লব? মণ্ডল কানুনগু ইয়াৰ সৃষ্টি কাৰক, এওঁলোকৰ হাতৰ মুঠিতেই আইন কানুনবোৰ থাকিব আৰু পুৰণা কাৰ্য্যবলীয়েই অবাধ গতিত চলি থাকিব, গতিকে মন্ত্ৰী ডাঙৰীয়াই দিয়া আশ্বাস সমূহ কাগজৰ পাততেই থাকিব। এই নতুন আইন-কানুন বোৰৰ কোনো মূল্য নাথাকিব, এইবোৰ মূল্যহীন কথা হৈ পৰিব। মই মন্ত্ৰী ডাঙৰীয়াক সুধিব বিচাৰিছোঁ এই কৰ্ত্তন প্ৰস্তাৱৰ সম্পৰ্কত, যে চৰকাৰে এই আইন-কানুন বিলাক প্ৰযোজ্য কৰিবলৈ বিহিত ব্যৱস্থা কিবা হাতত লৈছে নেকি? যদি লোৱা নাই কেতিয়া লব? যদি লৈছে কোন কোন ক্ষেত্ৰত লৈছে সেই বিষয়ে আমাক জানিব দিবনে?

**শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী** :—মাননীয় অধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই দুআষাৰ মান কব খুজিছোঁ। ৰাজহ সংগ্ৰহ আৰু ভূমি বিতৰণৰ ক্ষেত্ৰত আমাৰ চৰকাৰ চৰম ব্যৰ্থতাৰ সম্মুখীন হোৱাৰ পিছত নতুনকৈ আকৌ চাৰে ন লাখ টকাৰ এটা পৰিপূৰক মঞ্জুৰী বিছৰাত আমি আচৰিত হৈছোঁ। চৰকাৰী আঁচনি সমূহ কাৰ্য্যকৰী কৰাৰ মূল উৎস বা 'ৰিচৰ্চ্চ' সংগ্ৰহৰ দায়িত্বত থকা এই বিভাগটোৰ প্ৰশাসন সম্পূৰ্ণ ব্যৰ্থ হৈছে বুলি কলেও বেচি ভুল কোৱা নহব। তাৰোপৰি ইয়াৰ অন্যান্য আনুসঙ্গিক যিবিলাক বিষয় আৰু বিভাগ আছে সেই বিলাকেও ঠিক মতে দায়িত্ব পালন কৰিব পৰা নাই। সংগ্ৰহ কৰিব লগা ৰাজহ আদি সংগ্ৰহ কৰা ইত্যাদি কামত এই বিভাগ বিলাক সম্পূৰ্ণই বিফল হৈছে। আমাৰ এচ, ডি, চি অফিছ বিলাক কেনেকৈ চলিছে তাৰ এটা উদাহৰণ আমাৰ সহকৰ্মী শ্ৰীলক্ষ্মী শইকীয়া ডাঙৰীয়াই স্পষ্টকৈ উল্লেখ কৰিছে যে, দৰং জিলাৰ কলাই গাওঁত যিটো এছ, ডি, চিৰ অফিছ আছে আজি এশবছৰে সেই অফিচটোৰ চালত খেৰ এডালো পৰা নাই ইয়াৰ দ্বাৰাই বুজিব পাৰি এই অফিচ বিলাক কেনেকৈ চলিছে। প্ৰশাসনৰ নামত ডাইৰেক্টৰ অৱ লেণ্ড ৰেকৰ্ডচ, ৰিভিনিউ চেক্ৰেটেৰী, কমিশ্বনাৰ, প্লেইনচ ডিভিজন আদি যিবিলাক কৰ্ম্মচাৰীৰ সৃষ্টি কৰা হৈছে সেইবিলাকে প্ৰকৃতপক্ষে কোনো কামেই কৰিব পৰা নাই। এই প্ৰশাসনীয় উচ্চ পদ সমূহ ঠিকমতে ব্যৱস্থাৰ হোৱা নাই। ইয়াৰ বাহিৰেও প্ৰশাসনীয় দুৰ্বলতাৰ মই আন এটা উদাহৰণ ডাঙি ধৰিব খুজিছো। সেইটো হৈছে যে, আমাৰ প্ৰশাসনটো শক্তিশালি কৰিবৰ কাৰণে এই বিষয়া সকলক সঘনেই সাল-সলনি কৰি থকা হৈছে। মোৰ সমষ্টিতে হাজোবোলা ঠাইখিনিতে এছ, ডি, চি চাৰ্কোলত থকা এছ, ডি, চি জনক যোৱা নৱেম্বৰ মাহতেই বদলিৰ হুকুম দিয়া হয়। কিন্তু তেওঁ সেই ট্ৰেন্সফাৰ অৰ্ডাৰ

"ষ্টে" কৰোৱাই তাৰ পিছত জানুৱাৰী মাহত আকো বদলিৰ হুকুম হোৱাত আকো সেই হুকুম ৰহিত কৰে। সেইদৰে মার্চ্চ মাহতো আকো বদলিৰ আদেশ স্থগিত ৰাখিবলৈ মানুহে শিবলং-গুৱাহাটী, গুৱাহাটী-শিবলং, শিবলং-হাজোকৰি থকা অৱস্থাতে মই বিভাগীয় মন্ত্রী আৰু সচিব দুয়োজনকে সৌভাগ্যক্রমে লগ পাওঁ। মই তেতিয়া কলো যে, যদি আপোনালোকে কোনো বিষয়াক বদলি কৰিব খোজে তেতিয়াহলে, তেওঁক ততালিকেই বদলি কৰক আৰু তাকে নকৰি এইদৰে এবাৰ বদলি কৰি আকো সেই আদেশ স্থগিত কৰা আদি কৰি থাকিলে প্ৰশাসনীয় দুৰ্বলতাৰ কথাকে সচায় আৰু তাত থকা বিষয়া সকলে কাম-কাজ আদি কৰাত অসুবিধা পায়। আৰু বদলি কৰিব খুজিলে তেওঁক কিছুদিনৰ কাৰণে ৰাখিব লাগে। তেতিয়া মন্ত্রীমহোদয়ে সেই বিষয়া জনক বদলি কৰা বদলি কৈছে আৰু পুনৰ "ষ্টে" কৰা নহয় বদলি কৈছে। তাৰ পিছত এজন বিষয়াক তাত দায়িত্ব লবলৈ পঠোৱা হ'ল সেই বিষয়াজনে তাত ১০ দিন বহিও কাৰ্য্যভাৰ লবনোৱাৰিলে। কাৰ্য্যভাৰ লবনোৱাৰি সেই বিষয়াজন সপৰিয়ালে গুৱাহাটীলৈ অহাত, তেওঁৰ বিৰুদ্ধে সেই বিষয়া জনে এই বদলি এটা কেছ যে, এই কাৰ্য্যভাৰ লবলৈ যোৱা বিষয়া জনে ৪১ হাজাৰ টকা চুৰি কৰি আনিছে আৰু সেই কাৰণেই নতুন এছ, ডি, চি জন তাৰ পৰা পলাই আহিছে। কিন্তু ইতিমধ্য আমি পোৱা খবৰ মতে সেই পুৰণা এছ, ডি,চি, জনে কেচটো উঠাই লৈছে আৰু গম পাইছোঁ যে, সেই চাৰ্কোলৰ ৪১ হাজাৰ টকাৰ হিচাব উলিউৱাত খেলি-মেলি লগোৱাৰ কাৰণে পুৰণা এছ, ডি,চি, জনৰ অফিচৰ সকলো নথি-পত্র সৈতে বাজেয়াপ্ত কৰে। এয়ে হৈছে অৱস্থা। আনহাতেদি আমাৰ মাননীয় সদস্য শ্রীবৰুৱা ডাঙৰীয়াই কোৱাৰ দৰে এই পৰিপুৰক মঞ্জুৰীৰ যোগেদি বিছৰা টকা আমাৰ মণ্ডল-কাননগু আদিৰ 'এণ্টাৰিনচ্মেণ্ট'ৰ কাৰণেহে বিছৰা হৈছে যেন লাগে। আজি আমাৰ দেশত মণ্ডল-কাননগুৱে কি অৱস্থাৰ সৃষ্টি কৰিছে সেইটো সকলোৰেই জনা কথা। আজি আমাৰ মণ্ডল-কাননগুৰ অক্টোপাচী কবলৰ পৰা আমাৰ দুখীয়া-দৰিদ্র মানুহবোৰক ৰক্ষা কৰিবলৈ কোনো নাইকীয়া হৈ পৰিছে যেন লাগে। পুঠিমাৰী নদীৰ আদাবাৰীৰ দলং যত আছে তাতে তিনি জন মানুহৰ ঘৰ আছে। সেই মানুহ তিনিজনৰ নাম হৈছে,—এজনৰ নাম শ্রীনৰকান্ত লহকৰ, ইয়াচিন আলি আৰু আনজন কাচেম আলি। সেই মানুহ তিনি জনে তাতে ঘৰ সাজি বহুত দিনৰ পৰাই আছে। পিছত এদিন চৰকাৰৰ ফালৰ পৰা কোনো নটিচ আদি নিদিয়াকৈ তেওঁলোকৰ ঘৰ-বাৰী সকলো হাতী লগাই ভঙাই দিছে। তেওঁলোকে চৰকাৰী মাটিত ঘৰ সাজিছে বুলি অজুহাট দেখুৱায়েই এইদৰে ঘৰ-বাৰী ভঙাই দিয়ালে। তাৰ পিছত সেই মানুহ তিনি জনে নানান আপত্তি-বিপত্তি আদি কৰাত সেই মাটি খিনি প্রকৃততে চৰকাৰী মাটি হয়নে নহয় সেইটো উলিয়াবৰ কাৰণে চাৰ্ভে কৰিবলৈ দিয়া হল। তেতিয়া ৰেভিনিউ অফিচাৰে কলে যে, সেইটো চৰকাৰী মাটি আৰু সেই কাৰণেই ঘৰ ভাঙি দিয়া হৈছে। মানুহ তিনিজনে একো ন্যায় বিছাৰ নেপাই তাৰ পিছত 'ডিৰেক্টৰ অৱ লেণ্ডৰেকৰ্ড চ'ৰ ওচৰত অনুৰোধ কৰিলে যে, এই কথাটো পৰীক্ষা কৰিবৰ কাৰণে "অসম-চাৰ্ভেক" দিব লাগে। এই কথাটো আমাৰ বিভাগীয় মন্ত্রী মহোদয়ক কেইবাবাৰো দৃষ্টি আকর্ষণ কৰা হৈছে। এতিয়ালৈকে এই কেছটো সম্পর্কে তেখেতৰ দৃষ্টিলৈ তিনিবাৰ অনা হৈছে। মন্ত্রী মহোদয়ে এই দৰে আশ্বাসো দিছিল যে, অন্যায় ভাৱে যদি কোনো বিষয়াই এই মানুহ কেইজনক এইদৰে হ ৰাশাস্তি কৰিছে তেনেহলে, তেওঁলোকক উদাহৰণ স্বৰূপে (examplary) শাস্তি দিয়া হব। তাৰ পিছত ফাইল বিভিন্ন স্তৰত ঘূৰিবলৈ ধৰিলে। শেষত সেই মানুহ কেইজন নিৰ্দ্দোষী প্রমাণিত হল আৰু এই কথা আমাৰ চেক্রেটেৰীয়েও লিখি দিলে যে, examplary punishment should be given to the officer concerned.

এই হিচাবে শাস্তি হবলগীয়া বিষয়া কেইজনৰ শাস্তি হোৱাৰ পৰিবৰ্ত্তে তেওঁলোকৰ আটাই কেইজনৰে প্রমোচন আদিহে হল আৰু যিজন বিষয়াই যলৈকে যাবলৈ বিছাৰিলে তেওঁক তালৈকে পঠিয়াই দিয়া হল। কিন্তু শেষত শাস্তি হল তলতীয়া দুজন বিষাৰ,—

এজন হৈছে মণ্ডল জন, আৰু আনজন সংশ্লিষ্ট কাননগু জনৰ। তেওঁলোকক সাময়িক ভাৱে বৰখাস্ত কৰা হৈছে আৰু আজি ছমাহ হৈ গল কি কাৰণে তেওঁলোকৰ বিৰুদ্ধে এই নিৰ্দ্দেশ হল সেই কথা তেওঁলোকক জানিবলৈ দিয়া হোৱা নাইকীয়া। এনে বিলাক খেলি-মেলি আৰু প্ৰশাসনীয় ক্ষেত্ৰত অৱনতি হোৱাৰ কাৰণেই এই ৰাজহ-বিভাগটো আজি চৰম ব্যৰ্থতাৰ সম্মুখীন হব লগা হৈছে। এই বিভাগটোৱে দুখীয়া-দৰিদ্ৰ মানুহবোৰক কোনো সহায় দিব পৰা নাই। মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই থিকেই কৈছে যে, এই প্ৰস্তাৱ আমাৰ মূখ্য মন্ত্ৰী আৰু ৰাজহ মন্ত্ৰীয়েও সমৰ্থন কৰিব। আধিয়াৰ ক্ষেত্ৰত যেতিয়া কথাটো ওলাল যে, চিলিং আইন মতে মাটিৰ সৰ্ব্বোচ্ছ পৰিমাণ ৫০ বিঘা কৰা হল যদিও একেলেঠাৰিয়ে তিনি বছৰ খোৱা লোকক ৰায়তী স্বত্ব দিয়া নহল, লগে লগেই মাটিৰ মালিক সকলে সেই মাটি ৰাখিবৰ কাৰণে ৰাতা-ৰাতি গৰু-গাই কিনি হাল কোৰ বাই সেই বিলাক মাটিত যে নিজেই খেতি কৰিছে সেইটো দেখুৱাই দিছে। মাটিৰ খাজনা আদিও অনাদায়ী হৈ আছে। চৰকাৰে আইন কৰিছে কিন্তু সেই আইন কাৰ্য্যত পৰিণত কৰিব পৰা নাই। ফলত চৰকাৰে যদিও 'গৰিবী হতাও, অন্যায় হতাও' আদি শ্লোগান তুলিছে যদিও সেইবোৰ বাস্তৱত পৰিণত নহব। সেই কাৰণেই মই এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছোঁ।

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী):—মাননীয় অধ্যক্ষ মহোদয়, এই পৰিপূৰক মঞ্জুৰীৰ দাবীৰে যি টকা বিছৰা হৈছে সেই টকা এই বিভাগৰ কাৰণে অপৰিহাৰ্য্য হৈ পৰিছে। কোনো কাৰণত গাওঁবুঢ়া সকলৰ বানচ দিয়াৰ কাৰণে যি টকাৰ প্ৰয়োজন তাক বাজেটত কমকৈ ধৰাৰ কাৰণেই আৰু যিহেতু আমি সেইটকা দিবই লাগিব, গতিকেই সেই গাওঁবুঢ়া সকলৰ বানচ দিয়াৰ পৰিপ্ৰেক্ষিততে আজি আমি এই পৰিপূৰক মঞ্জুৰীৰ দাবীটো আনিব লগা হৈছে। তাৰোপৰি অনান্য শিতানতো সেইটকাৰ প্ৰয়োজন হৈ পৰিছে। কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰি আমাৰ মাননীয় সদস্য সকলে যি বিলাক বিষয়ৰ অৱতাৰণা কৰিছে সেই গোটেই বিলাকেই প্ৰয়োজনীয় বিষয় তাক কেতিয়াও নুই কৰিব নোৱাৰি। কিন্তু এইটো কথা কলেও সত্য কোৱা নহব যে আমাৰ চৰকাৰ স্থানৰ বহি আছে আৰু কোনো কামেই কৰিব পৰা নাই। এইটো কেতিয়াও সত্য কথা কোৱা নহব। চৰকাৰৰ ভূমি সম্পৰ্কীয় সকলো আইন কানুনেই এই বিধান সভাৱে গৃহীত হৈছে আৰু সেই বিলাক সৰ্ব্বসম্মতিক্ৰমে গৃহীত হোৱাৰ পিছতেহে সেইবিলাক কাৰ্য্যকৰী কৰাৰ দিহা কৰা হৈছে। আজি আমি দাঠি কবপাৰো যে, ১৯৭০ চনৰ চিলিং আইন খন পাছ হোৱাৰ পিছতো ১৯৭২ চনৰ আইন খনৰ দ্বাৰা আমি মাটিৰ সৰ্ব্বোচ্ছ পৰিমাণ ৭৫ বিঘাৰ পৰা ৫০ বিঘালৈ নিৰ্দ্ধাৰণ কৰোঁ। এইটো কৰাৰ পিছত ৰাষ্টপতি অনোমোদন নোহোৱা স্বত্বেও আমি তাক কাৰ্য্যকৰী কৰাৰ কাৰণে যত্পৰোনাস্তি দিহা কৰো। সাধাৰণতে এইখন বিল পাছ হোৱাৰ পিছত আগৰ ১৯৭০ চনৰ বিলখন ওফৰি পৰিব লাগিছিল। কিন্তু আমাৰ যিহেতু ভূমিসংস্কাৰৰ মূল-উদ্দেশ্যই হৈছে আমাক মাটি লাগে আৰু ভূমিহীনক আমি যি কোনো প্ৰকাৰে দিবই লাগিব আৰু সেই কাৰণেই ৭৫ বিঘাৰ ভিত্তিতে সেই আইন কাৰ্য্যকৰী কৰি আমি ৰাজহৰ মাটি উলিয়াবলৈ চেষ্টা কৰিছিলোঁ। এই পৰিবৰ্ত্তনৰ সময়ত আমি স্থানৰ দৰে বহি থাকিবলৈ চেষ্টা কৰা নাই। যি কোনো উপায়ে আমি কাম কৰিবৰ কাৰণে চেষ্টা কৰিছোঁ। প্ৰজাস্বত্ব আইন খন ৰাষ্ট্ৰপতিৰ অনুমোদন হোৱাৰ পিছত তাৰ কাৰণে প্ৰয়োজনীয় ৰোলছ্ আদি 'ফৰ্মুলেট' কৰাৰ পিছত সেইবোৰ কাৰ্য্যত ৰূপায়িত কৰিবলৈ আমি চেষ্টা কৰিছোঁ। এই আইন ভালদৰে কাৰ্য্যকৰী কৰিবলৈ আমাৰ কিছু অৰ্থৰ প্ৰয়োজন। এই ধন বাৰে বাৰে আমাৰ বিত্তীয় বিভাগৰ পৰা বিছৰা হৈছিল যদিও আমাৰ দেশৰ কঠিন বিত্তীয় পৰিস্থিতিৰ কাৰণে সেই ধন ইমান দিনে দিব পৰা নাছিল। বৰ সৌভাগ্যৰ বিষয় আমাৰ চৰকাৰে এতিয়া সেই ধন আমাক দিছে। এই ধন পোৱাৰ লগে লগে আমি আমাৰ জিলা পৰ্য্যয়ত কাম কৰিবৰ কাৰণে ইতিমধ্যেই সংশ্লিষ্ট বিষয়া আদি নিয়োগ কৰাৰ কাৰণে চেষ্টা কৰিছোঁ। অৱশ্যে আমি হয়তো সেইবিলাক নিৰ্দ্দিষ্ট সময়ত কৰি নটাব পাৰো। আমাৰ মাননীয় সদস্য শ্ৰীবৰুৱা ডাঙৰীয়াই কোৱাৰ দৰে আমাৰ এই আইন খনে বাধাৰ সৃষ্টি

কৰিছেনেকি বদলি কোৱা কথাটোও বিচাৰ্য্যৰ বিষয়হৈ পৰিছে। এই আইন খন আমাৰ বিধান সভাতে গ্ৰহণ কৰা হৈছে আৰু বিধান সভাই গ্ৰহণ কৰা আইনকে আমি কাৰ্য্যকৰী কৰিবলৈকে ব্যৱস্থা কৰিছোঁ। এইখন যদি কিবা কাৰণত সংশোধন কৰিব লগা হয় তেতিয়া হলে, তাক সংশোধন কৰিবৰ কাৰণেও ব্যৱস্থা ইয়াত আছে। যদি আমি দেখা যে, এই আইন খন আমি সম্পূৰ্ণ ভাবে প্ৰয়োগ কৰাত কিছুমান বাধা আছে তেতিয়াহলে, অহা বাজেট অধিবেশনত এই আইন খনৰ সংশোধন পদৰ উংথাপন কৰিম। আমাৰ মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই যিটো কথা কৈছে পশ্চিম বঙ্গৰ সম্পৰ্কত সেইটো আমি ভাল পৰামৰ্শ পাইছোঁ। মাটিৰ মালিক অৱলম্বন কৰা পন্থা আৰু ৰায়তৰ স্বাৰ্থৰ বিৰুদ্ধে কিবা কৰিলে তাৰ বিহিত ব্যৱস্থাৰ কাৰণেও চৰকাৰ প্ৰস্তুত আছে

আৰু তেখেত সকলক অনুৰোধ কৰিছো এইটো যাতে নকৰে তাৰ কাৰণে পুলিচ বাহীনী আৰু উপায়ুক্ত সকলক আমি বিশেষ ভাবে জাননী দি কৈছো যাতে তেখেত সকলে কোনো ৰকমে হস্তক্ষেপ নকৰে।

মাননীয় অধ্যক্ষ মহোদয়, ১৪৫ ধাৰা, যি ধাৰাৰ কথা উল্লেখ কৰিছে, সেই ধাৰাৰ সম্পৰ্কত নিৰ্দেশ দিয়ে বিচাৰ বিভাগে। বিচাৰ বিভাগে তেনে নিৰ্দেশ দিলে যদি পুলিচ বিভাগে সেই নিৰ্দেশ পালন নকৰে তেনেহলে এইটো আদালতক অৱমাননা কৰা হব। তেখেতে যি খন লিষ্ট আগবঢ়াইছে সেই খনৰ সম্পৰ্কত আমি সচেতন। আমাৰ যি সকল কৰ্মচাৰী আছে তেওঁলোকে যদি কিবা দোষ কৰাৰ অভিযোগ পাও আৰু এই বিলাক অভিযোগ যদি প্ৰমানিত হয় তেনেহলে নিশ্চয় তেওঁলোকৰ বিৰোধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰ হব। এখেতে দ্বিতীয়তে কৈছে যে ভূমি সংস্কাৰ আহৰণ সমূহ বিশেষ ভাবে প্ৰয়োগ কৰিবৰ কাৰণে জিলা স্তৰত, মহকুমা স্তৰত আৰু ৰাজ্যিক স্তৰ কিছুমান কমিটি গঠন কৰি দিবলগে। আৰু সেই বিলাক কমিটিৰ হাতত বিচাৰ কৰাৰ ক্ষমতা থাকিব এনেকুৱা কথা কৈছে। আমাৰ অসমত ভূমিসংস্কাৰৰ সম্পৰ্কত এইটো ইতিমধ্যে হাতত লোৱা হৈছে। আমি ঠিক কৰিছো গাওঁ সভা অঞ্চলত এটা কমিটি মহকুমা পৰ্য্যায়ত এটা কমিটি আৰু ৰাজ্যিক পৰ্য্যায়ত এটা কমিটি থাকিব। আমি সিদ্ধান্ত কৰিছো যাতে এই সকলো বিলাক কথা লগতে যিবিলাক কথাৰ লগত পৰিকল্পনাৰ সম্পৰ্ক থাকে, সংস্কাৰৰ সম্পৰ্ক আছে সেই আটাইবিলাক যাতে গনতান্ত্ৰিক পদ্ধতিৰে তলৰ ফালৰ পৰা কৰিব পাৰো তাৰ কাৰণে চেষ্টা কৰা হৈছে। কিন্তু আমাৰ পঞ্চায়তৰ নিৰ্বাচন নোহোৱাৰ কাৰণে এইটো কৰিব পৰা হোৱা নাই। পঞ্চায়তৰ নিৰ্বাচন হৈ যোৱাৰ লগে লগে এই কমিটি সমূহ গঠন কৰা হব। গতিকে আমি ভূমিসংস্কাৰত পিচ পৰি থকা নাই। তেখেতে আৰু এটা বিশেষ বিষয়ে কৈছে সেইটো হৈছে শিবসাগৰত কৃষি নিগম গঠন কৰাৰ সম্পৰ্কত। তেখেতে কোৱাৰ দৰে তাত যদি কোনোবা অবাঞ্চিত ধৰণৰ লোক আছে তেন্তে সেইটো ৰাজহ বিভাগে বিচাৰ কৰি চাব। ১৯৬৮-৬৯ চনত পঞ্চায়ত সমূহৰ জৰিয়তে অসমত ভূমিহীন লোকৰ তথ্য পাতি তৈয়াৰ কৰা হৈছিল। আৰু সেই লিষ্টৰ লগত সম্পৰ্ক ৰাখি কৃষি নিগমৰ অংশীদাৰ সকলক নিৰোপন কৰা হব। এইটো ৰাজহ বিভাগৰ দায়িত্ব। ৰাজহ বিভাগে এইটো পালন কৰিব লাগিব। শ্ৰীগগৈ ডাঙৰীয়াক আৰু এটা আশ্বাস দিব বিছাৰিছো এই ক্ষেত্ৰত যদি কিবা অন্যায় হৈছে তেন্তে আমি নিশ্চয় হস্তক্ষেপ কৰিম। শ্ৰীপিৰ্টাসিং কোৱৰ ডাঙৰীয়াই কেইটামান কথা উল্লেখ কৰিছে যে গাওঁ বিলাকত গাওঁ বুঢ়া সকলক পইচা দিয়া নাই। আমাৰ গাৱৰ গাওঁ বুঢ়া বিলাকক পইচা দিবলৈ বাকী আছে। শ্ৰীবদন চন্দ্ৰ তালুকদাৰ আৰু শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ ডাঙৰীয়াই কামৰূপ জিলাত ভূমি সংস্কাৰৰ লেহেম গতিৰ কথা উল্লেখ কৰিছে। আৰু লগতে কৈছে যে ৰাজহক উচ্ছেদ কৰাৰ যি কাম চলি আছে সেইটো বন্ধ কৰিব লাগে। মাননীয় সদস্যা শ্ৰীমতী ৰেনুকা দেবী বৰকটকী আৰু শ্ৰীনগেন বৰুৱা ডাঙৰীয়াই যিটো কথা

কৈছে সেইটো এটা বৰ জৰুৰী বিষয়। এই বিষয়টো যদি আমাৰ চৰকাৰে বাস্তৱ ৰূপ দি প্ৰকৃত ভূমিহীন লোকক আৰু জনজাতীয় লোকক ৰক্ষনা বেক্ষন দিব পৰা যায় তেনেহলে অতি ভাল কথা হব। কিন্তু এইটো এটা শ্ৰমিক ইউনিয়নৰ দৰে নহয় যে সকলোৱে এক গোট হৈ কৰ্ত্তাৰ বিৰোধে ইউনিয়ন কৰি আন্দোলন কৰিব। এই লোক সকল অত তত থকাৰ কাৰণে কেতিয়াও একেলগ হব নোৱাৰে। এই লোক সকলক ঐক্য বদ্ধ কৰিবলৈ ৰাজহুৱা আন্দোলনৰ প্ৰয়োজন। তেওঁলোকক বাহিৰৰ ভাবে নেতৃত্ব দিব লাগিব।

মণ্ডল কাননগু সকলকে ধৰি ৰাজহ বিভাগৰ কৰ্মী সকলৰ ওপৰত অপযশ দিয়া হৈছে। ৰাজহ বিভাগৰ সকলো কৰ্মীয়েই যে ভাল বা সকলো বিলাক কৰ্মীয়েই বেয়া মই এই কথা কবলৈ যোৱা নাই। ভালৰ মাজতে বেয়াও থাকিব পাৰে। সেই বুলি সকলোকে দোষাৰূপ কৰিলে সাধাৰণতে যি বিলাক ভাল কৰ্মী আছে সেই সকলো নিৰোৎসাহিত হৈ পৰে। আৰু সকলো বিলাক তথা কথিত বেয়া কৰ্মীকে বখাস্ত কৰাটোও সম্ভৱপৰ নহয়। কিন্তু কোনোবা এনে বিষয়াৰ ওপৰত কিবা অভিযোগ থাকিলে সেই কথা কব পাৰে। তেতিয়া হলে আমি সেই কথা অনুসন্ধান কৰিম আৰু দোষিক শাস্তি দিম। আৰু এই খিনিতে শ্ৰীমতী বৰকটকীয়ে এটা অভিযোগ কৰিছে যে নিজৰ মাটিৰ পট্টা থকা সত্বেও সেই মাটিৰ পৰা ঘৰ দুৱাৰ ভাঙি মানুহক উচ্ছেদ কৰা হৈছে। তেখেতে যিটো স্পিৰিটত কথা কৈছে আমিও সেইটো স্পিৰিটতে কাম কৰিছো। আৰু তাৰ কাৰণে যি সকল দোষি তেওঁলোক সাময়িক ভাবে বৰ্খাস্ত কৰা হৈছে আৰু তেওঁ লোকৰকেচ বিচৰাধীন হৈ আছে। আৰু বিচাৰত দোষি বুলি যদি প্ৰমানিত হয় তেনেহলে সেই সকলক শাস্তি বিহা হব। এই এই সংক্ৰান্তত মণ্ডল সকলক অপযস দিলেই নহয়। যি সকলৰ দোষ প্ৰমানিত হৈছে সেই সকলক শাস্তি বিহা হৈছে। আৰু যদি কাৰোবাৰ বিৰুদ্ধে কিবা প্ৰমান থাকে তেনেহলে সেই সকলকো শাস্তি বিহা হব।

বিশ্ব কৃষি চেনচাচ সম্পৰ্কত শ্ৰীনগেন বৰুৱাই কামৰূপ জিলাৰ কথা উল্লেখ কৰিছে। পৃথিবীৰ কৃষি সম্পৰ্কে হিচাব লবৰ কাৰণে ভাৰত চৰকাৰৰ পৰা এইটো নিৰ্দ্দেশ আহিছে। এইটো কথা সত্য নহয় যে কেৱল কামৰূপ জিলাতেই চেনচাচ কৰা হৈছে। অসমৰ সকলো সকলো বিলাক জিলাতেই চেনচাচ কৰা হৈছে। কামৰূপ জিলাত কৰ্মী কম হোৱাৰ কাৰণে কামৰূপ জিলাৰ কথা বিশেষ ভাবে উল্লেখ কৰা হৈছে। এইটো পৰিসংখ্যা ৱাৰ্ল্ড এগ্ৰিকালচাৰ চেনচাচক দিব লগীয়া হোৱাৰ কাৰণে এই বিষয়ে তথ্য পাতি সংগ্ৰহ কৰা হৈছে। এইটো অনুমানিক হিচাপ দিয়াৰ কথা নহয়। লিখিত নিৰ্দ্দিষ্ট প্ৰশ্নাৱলীৰ ওপৰত নিৰ্ভৰ কৰি ৰাজহ কৰ্মী সকলে প্ৰতিটো অঞ্চললৈ গৈ বিশ্ব কৃষি জৰিপৰ কাম কৰা হয়। ১৯৭০ চনৰ পৰাই কৰি অহা হৈছে। এইটো শেষ হলনে নাই মই খবৰ লোৱা নাই, বোধকৰো এইটো শেষ হোৱা নাই। মই মোৰ উত্তৰ বিশেষ দীঘলীয়া কৰিব খোজা নাই। মুঠ কথা চৰকাৰৰ ৰাজহ বিভাগে ভূমি সংস্কাৰৰ কাৰণে যি খিনি কাম কৰিব লাগে বুলি মাননীয় সদস্য সকলে কৈছে তাতকৈ চৰকাৰে কোনো ৰকমেই কম কৰা নাই।

আমি মানুহক ৰায়তী স্বত্ব দিবৰ কাৰণে তিনি খন জিলাত চাৰ্ভে চেটেলমেণ্টৰ কাম চলি আছে আৰু বাকী চাৰিখন জিলাৰ ৰেকৰ্ড অব ৰাইট ৰ কামৰ কাৰণেও কৰ্ম্মচাৰী নিয়োগ কৰা হৈছে। এই চাৰি খন জিলাৰ অলপ সময়ৰ ভিতৰতে এই কাম সম্পন্ন হৈ উঠিব। তেখেত সকলে বোধকৰো সন্দেহকৰিছে যে হয়তো ইতিমধ্যে বৰ্ত্তমান দখলকাৰী সকল উচ্ছেদ হৈ যাব। তেখেত সকলৰ সন্দেহ কৰাৰ স্থল আছে ; কিন্তু আমি প্ৰতিকাৰৰ বাবে যাৱতীয় সকলো ব্যৱস্থা লবলৈ দিহা কৰিছো।

শ্ৰীমতী ৰেণুকা বৰকটকী :—প্ৰশাসনীয় ব্যৱস্থাৰ সিথিলটাৰ বিষয়ে কি কয়,—

শ্ৰীপৰমানন্দ গগৈ ঃ—তেখেতে বোধকৰো, হাজোৰ এচ, ডি, চি জনৰ বদলিৰ সম্পৰ্কে কৈছে। তেখেতৰ বদলিৰ অৰদাৰ ইতিমধ্যে দিয়া হৈছে। কিন্তু কোনো চৰকাৰী বিষয়াই বদলিৰ হুকুম হোৱাৰ পাচতো যদি তাৰ পৰা নাযায় তাৰ কাৰণে বিষয়া জনক পুলিচৰ হতুৱাই গ্ৰেপ্তাৰ কৰাৰ অফিচিয়েলি ৰুল নাই। অৱশ্যে ৰুল মতে তেওঁক চচপেণ্ট কৰিব পৰা যায়।

শ্ৰীৰেনুকা বৰকটকী ঃ—এতিয়ালৈ চৰকাৰী হুকুম মনাব পৰা নাই কিয় ? সেই বিষয়া জনক চাচপেণ্ট কৰা হৈছে নেকি ?

শ্ৰীপৰমানন্দ গগৈ ঃ— সকলো ব্যৱস্থাই লোৱা হৈছে। মুঠৰ ওপৰত মই কব পাৰো সেই এচ,ডি, চি জনক হাজোত ৰখা নহয়।

শ্ৰীকেহোৰাম হাজৰীকা ঃ—চিলিং ৭৫ বিঘালৈ কৰা আইনৰ মতে কিমান মাটি অধিগ্ৰহণ কৰা হল আৰু কিমান মাটিহীন লোকক দিয়া হল ?

শ্ৰীপৰমানন্দ গগৈ ঃ—চিলিং আইনৰ যি বিধান সেইমতে মালিকক আমি জাননী দিওঁ, সেইমতে তেওঁলোকে সৰ্বমুঠ মাটিৰ এখন লিষ্ট চৰকাৰৰ ওচৰত দাখিল কৰে। আমি সেই লিষ্ট পৰীক্ষা কৰাৰ পিচত যিখিনি অধিগ্ৰহণ কৰিব লগা হয়, তাক অধিগ্ৰহণ কৰাৰ ব্যৱস্থা কৰো। ইয়াত আৰু কথা আছে, অতিৰিক্ত মাটি এখন জিলাত থাকিলে সেই জিলাৰ উপায়ুক্তই কৰিব পাৰে, কিন্তু কেইবাখন জিলাত পৰিলে, তেতিয়া কেন্দ্ৰীয় ভাবে ব্যৱস্থা লোৱা হয়। আমাৰ এতিয়া ৯ খন বাগিছাৰ মাটি অধিগ্ৰহণ কৰাৰ ব্যৱস্থা হব ধৰিছে।

শ্ৰীকেহোৰাম হাজৰিকা ঃ—মোৰ প্ৰশ্ন সেইটো নহয়, ইয়াৰ আগৰ চিলিং আইনমতে কিমান মাটি ৰাইজৰ মাজত বিতৰণ কৰা হৈছে ?

শ্ৰীপৰমানন্দ গগৈ ঃ—বিতৰণৰ প্ৰশ্ন এতিয়া অহা নাই। মই ইতিমধ্যে কোৱা নিয়মানুবৰ্ত্তিতাৰ কাৰণেই পলম হৈছে। মাটিৰ হিচাব বৰ্ত্তমান মোৰ হাতত নাই।

এই আশ্বাস দিয়াৰ পিচত মাননীয় সদস্য সকলক অনুৰোধ কৰা যেন কৰ্ত্তন প্ৰস্তাৱটো উঠাই লয়।

**Mr. SPEAKER :** মই কৰ্ত্তন প্ৰস্তাৱ কেইটা পঢ়ি দিওঁ। That the total provision of Rs. 9 57,100 under Supplementary Demand No. 1, Major Head "9 Land Revenue" at pages 1-2 of the List of Supplementary Demands be reduced to Re. 1, *i.e.* the amount of the whole Supplementary demand of Rs. 9,57,100 do stand reduced to Re. 1.

Cut Motion is lost.

Now, I put the main motion. The question is that an additional amount of Rs. 9,57,100, be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1973, for the administration of the head "9-Land Revenue".

The Grant is passed.

Now Grant No. 2.

**Shri DULAL CHANDRA BARUA :** Sir, on a for point of order. It is the Excise Miuister Shri Mohitosh Purkayastha who is to move the Grant. When it has been printed in his name, Shri Purkayastha is to move the Grant.

**Mr. SPEAKER :** I have already disposed of this matter. The cabinet is headed by the Chief Minister and there is a joint responsibility of the Cabinet. Therefore, he can move any matter on behalf of other Minister.

**Shri SARAT CHANDRA SINHA (Chif Mirister) :** Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that an additional amount of Rs. 53,000 be granted to the Minister-in-charge to defray eertain charges which will come in course of payment during the year ending the 31st March, 1973' for the administration of the Head-"10.-State Excise Duties".

**Mr. SPEAKER :** The Motion moved.

**Shri DULAL CHANDRA BARUA :** Sir. I want to move the Cut Motion. That the total provision of Rs. 54,000 under Supplementary Demand No. 2. Major head "10--State Excise Duties" at Page 3 of the List of Supplementary Demands, be reduced to Re. 1, *i. e.* the amount of the whole Supplementary Demand of Rs. 54,000, do stand reduced to Re. 1.

Sir, in the Explanatory Notes, it has been found that the additional amount of Rs. 54,000 is required for payment of interim relief to the Government employees fcr which there is no provision in the current year's budget as thc sanction was received after submission of budget for 1972-73. Hence the Supplementary Demand''. In this connection, Sir, simply I want to know from the Hon'ble Chief Minister apart from these whether there are any other grievances from the excise employees. No Service Rules for these employees have been prepared till today. Government took a decision in the year 1956 to confirm the post of Inspector of Excise and also to bring them to the gazatted rank. But till today no action has been taken in this regard. Again, government has decided to create some post of Head Constable and some other posts and Government decided to communicate the same to the workers and Accociation. But nothing has been done in practice and their grievances were not redressed, though some post of Head Constable were created without fixing any responsibility in this regard. On principle, Government agreed to the proposal of promotion of Sub-Inspectors to Inspectors. Government made provision that 50 per cent will be taken from low grade employees to the upper grade. But till today these things have not been given effect to and moreover so it is to my mind, Sir, you have been lucky to head this Department and during your period as Minister, in-charge, Excise, you could know it. Of course' everybody has some grievances. Condition of these employees are forgotten, though at the time of Election they have to share a major share for this. Therefore, Government do not like to consider it and their condition is deplorable. Therefore, I want to have a clarification from the Government about their long standing

grievances that were put before you from the workers and associations since 1959, why this matter remained pending so long?

**Shri SARAT CHANDRA SINHA, (Chief Minister)** : Sir, may I get one point clarified what does the Hon'ble Member mean by major share of a constable?

**Shri DULAL CHANDRA BARUA** . Sir, because at the time of Election they arc to collect money for what is called Election expenditure, mainly for the party in power. That is why their grievenccs have been forgotten.

**Shri SARAT CHANDRA SINHA, (Chief Minister)** : Sir, if they collect money they will share it and nothing is to be done. But that is not the position and that is not so.

**Shri DULAL CHANDRA BARUA** : Sir their grievances are forgotten and their cases are not put for consideration at all.

**Shri SARAT CHANDRA SINHA, (Chief Minister)**: Sir, so far as the Service Rules are concerned, it is not only the Excise Deptt. there are other Departmcnts also which have no Service Rules and that is the real grievance of the employees for which it becomes very difficult for the officers to work smoothly and efficien ly' because they do not know in what condition they are to work,- So far creation of the posts I will look into it. Therefore, I would request the Hon'ble membre to withdraw the Cut Motion.

**Shri DULAL CHANDRA BARUA** : I withdraw the Cut Motion.

**Mr. Speaker** : (Read out the motion) of Grant. No. 2)

The motion is passed

Grant No. 3.

**Shri SARAT CHANDRA SINHA, (Chicf Minister)** : Sir, I beg to move the grant no. 3.

শ্ৰীপ্ৰেমধৰ বৰা ঃ—অধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী ডাঙৰীয়াই এই টকা খিনি ৰাজহ বৃদ্ধিৰ কাৰণে দৰকাৰ হল বুলি কৈছে । কিন্তু কেনেকৈ ৰাজহ বৃদ্ধি হব পাৰে আৰু যিটো কাৰণেই নেকি এই অতিৰিক্ত টকা বিচৰা হৈছে সেইটো অলপ বহলাই কলেই ভাল হয় ।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) ঃ—অধ্যক্ষ মহোদয়, কৰ বিভাগে ১৯৭১ চনত টকা সংগ্ৰহ কৰিছিল ১৬'৮৩ কোটি টকা, ১৯৭১-৭২ চনত সেই টকা বাঢ়ি গৈ ১৭,৯৫ কোটি টকা হয়হি । সেই ৰকম ভাৱে চালে দেখা যায় যে ১৯৭১ চনৰ ডিচেম্বৰ মাহলৈকে সংগ্ৰহ কৰিছিল ১০'৮৫ কোটি টকা আৰু ১৯৭২ চনৰ ডিচেম্বৰলৈকে সংগ্ৰহ কৰিছিল ১২,২ টকা । অধ্যক্ষ মহোদয় এনেকৈয়ে এই বিলাকৰ পৰা দেখা যায় যে কৰ বিভাগে কৰ আদায় কৰাত কিছু উন্নতি দেখুৱাইছে আৰু সেই কাৰণেই এই টকাৰ প্ৰয়োজন অস্বীকাৰ কৰিব নোৱাৰি ।

শ্ৰীৰাম চন্দ্ৰ শৰ্ম্মা ঃ—অধ্যক্ষ মহোদয়,

অধ্যক্ষ ঃ—উত্তৰ দিলেই যোতিয়া আৰদ্ধ কি কব ।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ঃ—মই মাননীয় সদস্যক এই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিছো ।

I would request the Hon'ble member to withdraw the Cut-Motiou

**Shri PREMODHAR BORA** : Sir, I withdraw the Cut-motion.
**Mr. Speaker** . I put the motion.

(The Motion (grant No. 3) passed)

**Shri SYED AHMED ALI, (Ministe.I, Law** : Sir, I beg to move gan No. 4.

**Mr. Speaker** : I put thc grant No. 4.

(Grant No. 4 passsed)

**Shri** SARAT CHANDRA SINHA **(Chief Minister)** : Sir, I beg to move Grant No. 5.

**Mr. Speaker** : I put the motion.

(Grant No. 5. pasfed)

**Mr. Speaker**: Now Grant No. 6 — No Cut motion. I put the question, that on the recomeadation of the Governor of Assam, I beg Sir, to move that an additional amount of Rs. 15,35,005, be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1973 for the head "18—Parliament State and Union Territory- Lagislature—C—Election".

(Grant No. 6 passed)

**Shri DULAL C. BARUA**: Sir, May I suggest that grant Nos. 7 to 11 may be moved together ?

**Mr. Speaker**: Yes, Yes.

**Shri SARAT CHANDRA SINHA (Chief Minister)** : Sir, I beg to move grant Nos. 7 to 11 excluding No. 10.

**Shri DULAL CH. BARUA**: Sir, we have got cut motions on these grants and we move all the cut motions at a time against all these grants. In this connection I would like to point out certain things. The Chief Minister was all along advocating the case in favour of strict economy in the administration. We hoped at the time of his assumption of office that a little economy will be observed in respect of establishment charges of various office. But we have found that instead of decreasing the expenditure the expenditure is going higher and higher. Sir, all put togather we have votcd 2 crore 26 lakhs and 2 thousand last year including a supplementary demand passed in this

House. Now, this 39 lakhs 34 thousand, 8 37 rupees is a very big um. Sir, if you go t rough the papers you will find that these expenditure can easily be avoided. In the morning I have pointed that ven for normal budget our Government is in the habit of drawing money from the consolidated fund which is very much improper. If this is allowed to go on, it will be an immoral act on the part of the Government. I do not know whether it is unparliamentary to say so or not. It has been found that the Government is indulging in drawing money from the Consolidated fund which is not proper. and if this is allowed to go on as usual, the Government will not be able to maint tan any economy. I am satisfied that the Finance Department is no-unctioning properly. This Government under the leadership of Shrs Sarat Chandra Sinha is committed to certain structural changes, but if we study the overal picture then we will find that greater amount is being spent on various heads. If this is allowed to continue then the Chief Minister's dream will remain as daeam and wi l not come to reality. I thought at the beginning that structural change will be initiate by a strict finance, but to my utter surprise, I have come to know that nothing is done in this respect. I do not think by appointing more and more high ranking officers they can bring about a structural change. I will ellaborate these points when I shall take part on the debate of Governor's Address. One Adviser is appointed to advice the Chief Minister with a very high pay. I have no grudge against that boy and I am doubtful whether he can really offer any help to the Chief Minister. If he gets the advice from this immature boy he is likely to be misled. I have no grudge against that boy/ he is my brother. The Government has appointed Mr. Lahiri as industrial adviser. I am sure he can never be of any help towards the industrial development of the State. Therefore, I would suggest that if the Chief Minister is willing to take an adviser he should take a good adviser so that his services can be of some help. There are many officers who are busy in serving the Ministers. If the Ministers do something wrong then they come to help the Ministers. The Chief Secreary, the Special Secretary and other officers should advice the officer in a proper way and in proper time. I caution the Chief Minister, if he is sincere, to look into it, so that the poor people are benefitted. iI would urge upon the Government not to incur such expenditure on the head 'General Administration'. It should be avoided, to me it is a criminal ofence. I am not sure whether these remarks are unparliamentary or not.

Sir, in the name of economy t e Government should not indulge in playing with the lives of the people in this way. It is also surprising that this big construction which has taken place, in the name of capital construction is done without the approval of the House. May I ask a question, with whose permission this expenditure has been incurred. I do not know why this was not included in the Supplementary Demand. It is a good thing that we were brought here. But sorry to see that constructions were not upto the mark. If you examine you will find that the furniture are not made upto the standard. Are we to serve cats and dogs. In the paper things may appear that Shri Dulal Chandra Barna has said such and such things on the floor of the House—that is not enough. If the Government do not allow us to function, how can we function. Unless the Executives function properly, how can we function.

We are to go from Minister, from officer to officer. Even these officers are not in a position to tell us the truth. They try to hoodwink us. I could give concrete examples to the Chief Minister. We are spending crores of rupees but is the administration functioning. This Government has got no moral right to spend money without informing the House. May I know from which fund, what amount has been spent in the name of capital construction ? Is it not a fact that a major slice of the money meant for rabi crops has been spent on capital construction even though there is a head for capital construction. This Government is spending money without the knowledge of the House or of the people. I do not mind spending for the capital construction, but what is the quality of the work - one kick will remove the bricks, the furniture will not last for more than a week. We want that the Government should come out with the real truth. It is our legitimate right to know from which head and what amount they are spending for capital construction. Is it not necessary to get the concurrence of the House for such spending ? In this way this Govt. is ignoring they House and the people. By their brute majority the may ignore the opposition, but they cannot ignore the provisions of the constitution. It was the duty of the Secretary or the Chief Secretary to guide the Chief Minister that the concurrence of the House should be taken for such expenditure.

*Mr. Speaker :* Mr. Barua you speak within the scope of the Rule governing such things. Rule 132 is clear on this point.

*Shri Dulal Chandra Barua :* I know it sir. I am touching only on policy matters. We are ready to grant excess money but it must serve the purpose. Our Ministers are Ministers of a Socialistic pattern of society. As regards spending huge sum of money in Minister's traveles, the C.M. the other day stated that the people invite, the ministers to visit their localities, and the Ministers on many occasions are to concede. There should be rules regulating the tours by Ministers and it should be strictly enforced. Everytime the Government comes with supplementary demands saying that the original amount voted is not adequate. I want to know from the Chief Minister

how much money is being spent after the Ministers in paying T.A., D.A. house rent and other things. I remember Shri Khagen Barbarua while taking part in the debate once remarked "Aphale dhar, aphale kar" Charity begins at home, example is better than precept. The Chief Minister should show an example himself. Sir, we have been asked to stay in the quarters meant for Fourth grade staff. We do not mind it. Why the Ministers should also not come and stay like us. That would have been quite appropriate for Ministers who speak about building a socialist pattern of society. But they are living in the Circuit House or in Rest Houses putting us in the Fourth Grade quarters where there is no ventillation as if the Grade IV staff do not need ventillation. I have seen what sort of socialism our Chief Minister is heading for. The plight of the Grade IV staff is horrible. Every Minister carries with him two such Grade IV staffs one security and the other peon. C. M. may be kind enough to give them food, but there are other Ministers who ask these people to go and have their meals somewhere.

This is the type of socialism which is functioning here under the leadership of shri Sarat Chandra Sinha.

Now coming to the Secretariat and attached offices, I find that P. W. D. and flood Control Department have been mixed up with the General administration- Sir, P. W. D. has a separate Budget and so also the F. C. & I. and therefore why these Department should come under the General addministration? It seems that the Government is adopting back-door policy. You will find similar provision under P. W. D. also. Under the head "Allowances and Honoraria - Travelling Allowances of Officers" a sum cf Rs. 1,44,400 has been provided, and for telephone charges, a sum of Rs. 6,57,000 has been earmarked. Why so much for telephone charges? Why use the telephones. Sir, if we use telephone and make trunk calls you give us 'tagada' every month to pay the amount and we are also asked to certify whether the call was official or private. Even as Chairman of a particular committee I have to pay telephone charges even for offical calls. We the M. L. As are less important than the Superintendent in the Secretariat For us no facilities are provided. Sir, you remember how we got a stricture for a dinner. Why no power is given to the Assembly Secretariat? Why the hon. Speaker has no right to the under Secretary in the Civil Secretariat for anything and everything? You remember Sir how the Additional Finance Secretary became authority over the Speaker. Now, under what circumstances so much of money was spent on telephone charges? The details should be furnished to us. Then again under flood Control, division has been made for the pay and alloowances of the officers.. It is said that the existing budget prvoision being inadequate, an advance of Rs. 13,800/- has been taken from contigency

fund to meet the actual requirements of pay of officers and pay and allowances of staff and expenditure under "Contingencies".

Sir, this benign Government recruited some boys for undergoing training in language tyewriting. They were given the training and they qualified in the examination. But one fine morning the Finance Department abolished these posts. Now these boys are unemployed and lotering here and there. Why these posts have been abolished ? Sir, our Assembly Secretariat is suffering for want of reporter. These boys were given training and now these posts have been abolished. For I. A. S. officers there is facility for training everywhere but these people even after training have not been absorbed. Finding no other alternative I had to write a letter in my official capacity to the Chief Secretary in the hope of getting a reply but they did not have the courtesy to give a reply. When the Chief Minister wanted to give these people bread, they are obstructing him.

Sir, at page 17 there is a provision for expenditure in connection with Mizo disturbances. It is said that the budget provision for the year 1971-72 was found to be inadequate to meet the expenditure under Transport Wing Mizo district for pay and allowances of staff, Travelling allowance........." Mizo district is no more with us and therefore, how can it come under our budget ? Sir if you like, you may kindly rule it out on that score. Mizo Hills is no more with us and therefore the expenditure incurred on that account should no be borne by us and it should be reimbursed by the Government o India. At the time of formation of Union Territory this amount ough to have been adjusted with the Mizoram Government. Sir, the Conting-t ency Found has become একেবাৰে স্থবডি গাই কামধেনু. What moral right this Government has got to bring this demand to the House ?

Comming to (C), it has been stated "the additional amount is required due to opening of a Sub-Treasury at Dhemaji and appointment of an Additional Treasury Officer at Gauhati and also for strengthening of Treasuries and Sub-Treasuries by creating additional posts to cope with the increased volume of work and grant of Interim Relief, Dearness Allowances etc., to the newly sanctioned staff' 'Will you kindly ask the Chief Minister to give us a list where the Treasury or Sub-Trea-suries have been improved and who are the people posted there ? Of course, it is not possible for the Chief Minister to give everything, but there should be clear explanation.

Another important thing is there. Sir, I am perturb to see the way in which the Government is functioning. Here in item (F, it is said "the additional amount of Rs. 40,000 was immediately necessary for expenditure in connection with welfare and amenities to troops which was unavoidable in view of the emergent situation in the State ........" it is Government of India's subject. How our great Government could take up the responsibilities of welfare of Army ? matter How this subject matter becomes a subject of the State It is a matter of principle. Government of India has got fund to maintain the army If the public congratulate them or do something for them It is a different thing. But who has authorised the State Governmentt to take up the responsibility of the Government of India. Sir, this depicts the genaral administration of our State

Now coming to last item, that is, about the general administrution of the land Record Department in which my friends have discussed the matter under the Revenue head.

**Mr. SPEAKER**—Grant No. 10 has not been moved.

**Shri DULAL CHANDRA BARUA** : All right Sir, I am happy to find that to Departments under the name, Directorate of Accounts and Local Fund Audit Establishment have been established. We have another Examiner of Local Accounts. We are spending lakhs of rupees for these Departments, but there is no co-ordination between the three Nobody knows what is their function. Government also do not give clear instruction to them. Sir, we found in course of our examination in the PAC that Government does not give any importance on his report, and practically the Examiner or Local Accounts has been ineffective. We have no objection to the expenditure of the amount provided there is co-ordination among these three departments so that they may come to the help of the Finance Department and Accountant General in maintaining the accounts of the State and also in scrutinising the expenditure of different departments from time to time.

Sir, as I have said already, in the name of economy this Government is doing injustice to the puplic fund by spending the money in a haphazard way. This is not a good sign. Morning shows the day and we have seen the morning of our Mr. Sarat Chandra Sinha and it can be very well imagined what will be the day. Therefore, Sir, unless the administration is tuned up, the structural change of our Chief Minister will remain a lip-word and it will never materialise and no plan and programmes can be implemented for removing the poverty which this Government has been advocating. Sir, previously the people considered the Police Department as their enemy. But now the people consider that the entire Gouernment their enemy. So unless effective steps are taken to gear up the machinery of the administration the tall talks will remain as tall talks and the sweet dream of our Chief Minister of structural change will remain a dream without any reality.

With these few observations Sir, I commend my cut motions for the acceptance of the House.

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :—মাননীয় অধ্যক্ষ মহোদয়, ৭,৮,৯, আৰু ১১ নং মঞ্জুৰীৰ ওপৰত যি কেইটা প্ৰস্তাৱ অনা হৈছে সেই কেইটা সমৰ্থন কৰি মই কেইটামান কথাৰ প্ৰতি মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই কথা সঁচা যে এই দাবী বিলাকৰ ওপৰত উঠা প্ৰস্তাৱ বিলাক কংগ্ৰেছৰ সদস্যৰ সংখ্যা গৰিষ্ঠতাৰ হেতু এৰেগুলাৰ বিলাক ৰেগুলাৰাইজ কৰিব পাৰিব। আৰু এটা কথা মই কব খুজিছো যি বিলাক পৰিপূৰক দাবী উত্থাপন কৰা হৈছে তাৰ দ্বাৰা এইটোৱেই প্ৰমান কৰে যে ব্যুৰোক্ৰেট আৰু ব্যুৰোক্ৰেচি দুয়োৰে বিৰুদ্ধে জেহাদ ঘোষণা কৰিও চৰকাৰে কিছুমান টকা অপব্যয় কৰিছে। আৰু সেই অপব্যয় ৰেগুলাৰাইজ কৰিবৰ কাৰণে তাৰ ওপৰত পৰিপূৰক দাবী উত্থাপন কৰিছে। আৰু ৫০ হাজাৰৰো অধিক টকা টেলিফোন বিলৰ কাৰণে বিচাৰিছে। আনহাতে চৰকাৰৰ পৰ্দাজ নাই বুলি হাজাৰ হাজাৰ গৰীব বনুৱা সকলক কামৰ পৰা ৰিট্ৰেঞ্চ কৰিছে আৰু টেলিফোন বিলাসিতাৰ কাৰণে ইমান টকা বিচাৰিছে। আৰু মেনটেনান্সৰ কাৰণে ১৭ হাজাৰ টকা বিচাৰিছে। মন্ত্ৰী সকলৰ লগত টি এ ———

"the additional amount is necessary to meet the expediture on Travelling Allowance of Assistants, Stenos and Typists etc who has to undertake Journey to accompany Ministers and officers for various administrative purposes frequently".

অধ্যক্ষ মহোদয়, মই মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো আৰু শ্ৰীবৰুৱা ডাঙৰীয়াইও কৈছে যে মন্ত্ৰী সকলৰ লগত থকা দুজন মানুহৰ প্ৰমোচন নাই। এজন হৈছে গান মেন আৰু আন জন হৈছে পিয়ন। এই মন্ত্ৰী সকলৰ শতকৰা ৯৫ জন মানুহেই বিধান সভালৈ পঠিয়াইছে। গতিকে সেই সকলৰ কাৰণে গান মেনৰ প্ৰয়োজন কিয়? মন্ত্ৰী সকলৰ কামৰ কাৰণে একোজনকৈ পিয়ন দিয়া হৈছে। কলিকতা আৰু দিল্লীৰ অসম হাউচলৈ গলে আমি দেখা পাও তাত মন্ত্ৰী সকলৰ কাৰণে পিয়নৰ অভাৱ নাই। মন্ত্ৰী সকলৰ লগত প্ৰাইভেট চেক্ৰেটাৰী আৰু ষ্টেনো এয়াৰত দিল্লীলৈ যায়। দিল্লীত আমি দেখিবলৈ পাও যে মন্ত্ৰী সকলে কেন্দ্ৰীয় মন্ত্ৰীৰ লগত এপইণ্টমেণ্ট কৰে। কেতিয়াবা দেখা যায় যে বহুতেই কেন্দ্ৰীয় মন্ত্ৰীৰ এপইণ্টমেণ্ট নেপায়।

আমাৰ মন্ত্ৰী সকলে দিল্লীলৈ গৈ কেন্দ্ৰীয় মন্ত্ৰী সকলৰ লগত এপইণ্টমেন কথাটোৱেই অত্যাৱশ্যকীয় কাম। আৰু বহু দিন তাতেই বৈ থাকিব লাগে। তাৰ কাৰণে তেখেত সকলে লগত পি এ, পি এচ, আদি বহুত কেইটা লোককেই লৈ যায়। কিন্তু কলিকতাতেই হওক বা দিল্লীতেই হওক অসম হাউচত আগৰে পৰা আণ্ডাৰ চেক্ৰেটাৰী বেংকৰ মানুহ বহাই দিছিল আৰু এতিয়া তাত এনেকি কমিচনাৰ ৰেংকৰ মানুহো আছিল। সেই সকল বিষয়াই অনায় এপইনমেণ্ট ঠিক কৰি দিব পাৰে। তেনে স্থলত অকল সেই কামৰ কাৰণে অসমৰ পৰা মন্ত্ৰীৰ লগত প্ৰাইভেটচেক্ৰেটাৰীক নিয়াৰ আৱশ্যকতা ক'ত? এনে ধৰণৰ অপব্যয় বিলাক সংকোচ কৰিব লাগে তাৰ পাচত ৰাজধানী নিৰ্ম্মানৰ টকা বৰ্ত্তমানলৈ কিমান খৰছ কৰিলে? ইমানবোৰ টকা পালেই বা ক'ত? মোৰ মনত পৰে যোৱাবাৰ এই সদনতেই মাত্ৰ এক কোটি টকা ধৰি দিয়া হৈছে তেনে স্থলত অস্থায়ী ৰাজধানী নিৰ্ম্মাণৰ কৰণে ইমান টকা পালে ক'ত? কোন শিতানৰ পৰা টকা আনি বিধান সভাৰ নামত ইমান টকা খৰছ হ'ল। বৰ্ত্তমানে ফোৰ্থ গ্ৰেদৰ বাসস্থান বিলাকত মেম্বাৰ সকলক থাকিবলৈ দিয়া হৈছে। আমি যি জানো, এ টু জি গ্ৰেদৰ বাসস্থান তৈয়াৰ কৰাৰ কথা আছিল। যিয়েই হওক এই বিবৰণ মুখ্য মন্ত্ৰী য়ে এতিয়ালৈ দিয়া নাই। বিধান সভাৰ ৰুফিঙৰ কাৰণে টেণ্ডাৰ কল কৰা হল তাৰ পিচত টিম্বাৰ চাপ্লাই কৰাৰ ঠিকা দিয়া হল কিছুদিনৰ পিচত সেই ঠিকাটো আগতকৈ বেচি টকাত দিয়া হ'ল। যি হওক এতিয়া সকলো বিলাক স্পেচিফিকেচন চুপাৰিন-টেণ্ডিং ইঞ্জিনীয়াৰে ইচ্ছা মতে নাকচ কৰাৰ ক্ষমতাও আছে। এসময়ত মুখ্য মন্ত্ৰীয়ে কৈছিল যে ৰাজধানী নিৰ্মাণৰ কাৰণে শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ মুখ্য মন্ত্ৰী আৰু গুৱাহাটীৰ এম, এল,এ কেইজন কেবিনেট মেম্বাৰ। কিন্তু প্ৰকৃততে মুখ্য মন্ত্ৰীয়ে পাতি দিয়া কেবিনেটৰ হাতত কোনো ক্ষমতাই নাই। যি হওক মই বিষয়টোলৈ মুখ্য মন্ত্ৰীৰ চোকা দৃষ্টি আকৰ্ষণ কৰিছো। এতিয়া এনেকুৱা এটা অৱস্থা হৈছে যে চিফ ইঞ্জিনীয়াৰে এটা কথা পাচ নকৰিলে তাৰ ওপৰত আনকি চিফ চেক্ৰেটাৰীৰো কোনো হাত নাই। গতিকে এই নিৰ্মাণ কাৰ্য্যত কিমান খিনি দুনীৰ্তি সোমাইছে সেই কথা পৰীক্ষা কৰাৰ উপায় নাই। তাৰ পিচত মাননীয় অধ্যক্ষই গড়কাপ্তানী বিভাগৰ দুনীৰ্তিৰ কথা সমালোচনা কৰিবলৈ ২ এপ্ৰিলৰ দিনটো ধাৰ্য্য কৰিছে। সেই দিনা আৱশ্যে গড়কাপ্তানী বিভাগত দুনীৰ্তিৰ কথা উল্লেখ কৰিবলৈ সময় পাম। এতিয়া যি বিলাক পৰিপূৰক দাবী আনিছে তাৰ লগতে যোৱা বছৰত ধাৰ্য্য কৰা টকাৰ কিমান খিনি খৰচ কৰিলে তাৰ এটা হিচাব সদনত দেখুৱাব লাগিছিল। এই বিলাক ধন ব্যয় কৰা সম্পৰ্কে যি বেমেজালি হৈছে তেখেতে সেই বিলাক ভালকৈ চাওক। তেখেতৰ ওপৰত আমাৰ আশা আছে তেখেতে নিজেই কৈছিল যে প্ৰশাসন যন্ত্ৰটো ব্যুৰক্ৰেটৰ হাতৰ পৰা মই নিজেই আনি তাৰ এটা পুনৰ গঠন কৰি প্ৰশাসনটো চিজিল কৰিব লাগিব। তাৰ দৃষ্টান্ত বৰ্ত্তমানে আমাক দেখুৱাব লাগিব। ইয়াকে কৈ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো।

শ্ৰীগিয়াচুদ্দিন আহমেদঃ—মহোদয় কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই দুষাৰ কব খুজিছো । বৰ্ত্তমান বোৰ্ড অৱ ৰেভিনিউ ৰ কাৰণেও কিছু টকা দাবী কৰা হৈছে । এই বোৰ্ড সম্বন্ধে বহুতো কথা কব লগীয়া আছে ।

মহোদয়, আসাম লেন্দ ৰেভিনিউ ৰেগুলেচন মতে প্ৰায় এক শতাব্দীৰ আগতে এই বোৰ্ড অৱ ৰেভিনিউ ৰ সৃষ্টি হৈছিল । প্ৰকৃততে বৃটিছ ৰাজত্বৰ সময়ত, তেওঁলোকৰ সাম্ৰাজ্যবাদ সুপ্ৰতিস্থিত কৰাৰ হকে অন্যতম যন্ত্ৰ আছিল, এই বোৰ্ড অৱ ৰেভিনিউ ।

কিন্তু বৰ্ত্তমান পৰিবৰ্ত্তিত পৰিস্থিতিত যি ভূমি সংস্কাৰৰ ব্যৱস্থাৰ কথা কোৱা হৈছে, সেই মতে Tempory settled districts tenancy Act

পাচ কৰা হৈছে । তদুপৰি গোৱালপাৰা প্ৰজাস্বত্ত আইন, চিলেট প্ৰজাস্বত্ত আইন আছেই বিভিন্ন অঞ্চলত বিভিন্ন আইন প্ৰচলিত কৰি ৰখাৰ পৰিবৰ্ত্তে সমগ্ৰ অসমত একোখন মাত্ৰ প্ৰগতিশীল আইন প্ৰণয়ন কৰাৰ ব্যৱস্থা কৰা উচিত । আৰু এই পৰিপ্ৰেক্ষিতত চৰকাৰে গভীৰ ভাবে চিন্তা কৰা উচিত হব যে এই বোৰ্ড অৱ ৰেভিনিউ খন আগৰ দৰেই চলি থাকিবলৈ দিয়া সমীচীন হবনে নহয় ।

আমি এটা কথা লক্ষ্য কৰিছো যে মাটিৰ খাজনা যেতিয়া বাকী পৰে আৰু নীলামত মাটি বিক্ৰী হয়, তেতিয়া ৰায়ত সকলে বোৰ্ড অৱ ৰেভিনিউ ত আপীল কৰাৰ ব্যৱস্থা আইনত আছে ।

এতিয়াও গোৱালপাৰা প্ৰজাস্বত্ত আইন বাতিল কৰা হোৱা নাই । যিবিলাক খেতিয়কৰ খাজনা বাকী পৰি থাকে সেই সকলৰ সম্পত্তি আদালতৰ সহায় নোলোৱাকৈ নীলামত বিক্ৰী কৰাৰ ব্যৱস্থা উক্ত আইনত নাই । অথচ বৰ্ত্তমানে উক্ত আইন ভঙ্গ কৰি পোনে পোনে তেঁও লোকৰ মাটি নিলাম বিক্ৰী কৰা হয় । ফলত যি সকল দুখীয়া খেতিয়কৰ ৫, ১০, ১৫ বিঘা মাটি হয়তো আছে, খাজনা দিব পৰা নাই, অথচ সেইসকলক আবেদন নিবেদনৰ একো সুবিধা নাই সেই সকল বিপদত পৰে, তেওঁলোক আকৌ মাটি হীন হয় । অৱশ্যে তেনে ক্ষেত্ৰত তেওঁলোকে বোৰ্ড অৱ ৰেভিনিউত আপীল কৰিব পাৰে । উক্ত বোৰ্ডৰ কাৰ্য্যালয় গুৱাহাটীত অৱস্থিত হোৱাৰ কাৰণে মানুহৰ ভীষণ হাৰাশাস্তি হয় ।

ইয়াৰ ফলত যি অৱস্থাৰ সৃষ্টি হৈছে তাৰ দ্বাৰা এই দুখীয়া খেতিয়ক সকল এটা চূড়ান্ত বিপদৰ সম্মুখীন হৈছে । মই কৈছো এই বোৰ্ড অৱ ৰেভিনিউ টো গুচাই দিব লাগে তাৰ পৰিবৰ্ত্তে মহকুমা পয্যায়ত এনেকুৱা এটা বোৰ্ড হব লাগে বা কমিটি হব লাগে যাৰ ওপৰত ৰাজহৰ সংক্ৰান্ত বা ভূমিসংস্কাৰৰ সংক্ৰান্তৰ সকলো কথাই মীমংসা কৰিবপাৰি এই ৰেভিনিউ বোৰ্ড যি খন আছে সেই খন, বৰ্ত্তমান পৰিবৰ্ত্তিত অৱস্থাত প্ৰয়োজন আছে নে নাই এক কথাটো গভীৰ ভাবে চিন্তা কৰিবলৈ মই চৰকাৰক অনুৰোধ জনাইছো ।

লগতে আৰু এটা কথা মই কব বিচাৰিছোঁ সেইটো হ'ল আমাৰ বান নিয়ন্ত্ৰণ ইৰিগেশ্যন ইত্যাদি বিভাগৰ পে, এলাউন্স, অন'ৰিয়াম দিওতে যথেষ্ট পৰিমানৰ টকাৰ দৰকাৰ, এই টকা পইচাবোৰ দিয়াৰ প্ৰসংগত যি দাবী আহিছে তাত আমাৰ কোনো আপত্তি নাই । যদিহে তাৰ দ্বাৰা আমাৰ ৰাইজৰ ভাল কাম হয় । কিন্তু বৰ দুখৰ কথা যে আমাৰ বহুতো কমিটি আছে ডিপাৰ্টমেণ্ট আছে তাৰ দ্বাৰা বিশেষ একো কাম হোৱা নাই, এই প্ৰসংগতে যিবিলাক কথা উৎথাপন কৰা হৈছে সেই সম্পৰ্কে দুষাৰ কও ।

এটা কথা মই কও আৰু সকলোৱে কৈ থাকে যে আমাৰ দেশ সদায় লাহে লাহে যায়, আমাৰ এই দেশখন লাহে লাহেৰে দেশ । যদি প্ৰকৃততে সমাজবাদৰ প্ৰতিস্থা কৰিবলৈ যাও প্ৰকৃততে সমাজৰ এটা পৰিবৰ্ত্তন সাধিবলৈ যাও তেতিয়া হলে প্ৰশাসনীয় যন্ত্ৰটোৱে যদি নিৰ্ভুল ভাবে কাম নকৰে তেন্তে একো কৰিব পৰা নাযাব । মই এইটো কথা ডাঠকৈ কব পাৰো চৰকাৰে কিবা কৰক নকৰক যেনে—গৰিবী হতাও ধ্বনি তুলিব পাৰে ৰাইজৰ আগত ঘোষনা কৰিব পাৰে কিন্তু এইবিলাক বিষয়ত চৰকাৰে বাস্তবিকতে এটাও পালন কৰিব পৰা নাই । কিন্তু চৰকাৰে আন নহলেও প্ৰশাসনীয় যন্ত্ৰটো অলপমান দ্ৰুতগামী কৰিব পাৰে যদিহে এই যে চৰকাৰৰ ঘৰত পৰি থকা হাজাৰ হাজাৰ দুখীয়া ৰাইজৰ আবেদন নিবেদন বোৰৰ আৱশ্যকীয় ব্যৱস্থা সোনকালে কৰিব পাৰে, তেতিয়া হলে আমি জানিব পাৰিম যে বেচি নহলেও অন্তত পক্ষে শতকৰা ২৫ ভাগ কাম পূৰণ কৰা হৈছে । আমি আশা কৰিলো যে নতুন মন্ত্ৰী সভা গঠণ হোৱাৰ পিছত আৰু নতুন ডেকা মন্ত্ৰী অহাৰ পিছত আমাৰ প্ৰশাসনীয় যন্ত্ৰটো দ্ৰুতগামী হব আৰু কাম-কাজবোৰ সোনকালে হব, কিন্তু বৰ দুখৰ কথা যে এতিয়া আগতকৈ লেহেম গতিতহে কাম-কাজবোৰ চলিব ধৰিছে । উদাহৰণস্বৰূপে মই কব বিছাৰিছো যোৱা ১ বছৰ আগতে মই বানিনিয়ন্ত্ৰন বিভাগক এখন নদীৰ ওপৰত জলসিঞ্চন আচনি প্ৰস্তুত কৰাৰ কথা কৈছিলো, সেই নদী খনৰ নাম দীপ নদী তাত জলসিঞ্চনৰ ব্যৱস্হা কৰিলে এটা বিৰাট এলেকাত প্ৰায় ১৫ হাজাৰ বিঘা মাটিত পানী যোগান ধৰিব পৰা হব, যাৰ দ্বাৰা সেই দুখীয়া খেতিয়ক সকলৰ জীৱনত এটা বিৰাট উপকাৰ হব, সেই বিষয়ে মই প্ৰায় ১২ বছৰ আগতেই কৃষি বিভাগক অনুৰোধ কৰিছিলো যে এই আঁচনিটো অতি সোন-কালে হাতত লব লাগে । তেওঁলোকে ১০ বছৰ অতিবাহিত কৰিলে কেৱল অনুসন্ধান কৰিব লাগে বুলিয়েই, পিছত জনালে

যিকি নহওক যোৱা বছৰ মই এফ, চি, এন্দ আই বিভাগৰ মন্ত্ৰী মহোদয়লৈ চিঠি লিখিছো তেখেতে চিঠি পোৱাৰ লগে লগে অৰডাৰ লিখিলে, ডেকা মন্ত্ৰীৰ কলমৰ খোচে কাম দিব বুলি আমি আশাবাদী হৈ বহি থাকিলো, এমাহ, দুমাহ, তিনি মাহ পাৰ হৈ গল, মই নিজেই তেওঁৰ ওচৰলৈ গৈছিলো, তেখেতে কথাটো পাহৰি গৈছিল, পিছত জানিবা অফিচত খবৰা-খবৰি কৰাত চিঠিখন জানিবা ওলাল, তাৰ পাছতো সেইখন চিলঙত পৰি থাকিল তাৰ পাছত বাৰে বাৰে তদগ্ৰীব কৰাৰ পাছত আকৌ গুৱাহাটীত ২ মাহ কাল পৰি থাকিল আৰু সেইদৰেই প্ৰায় ১ বছৰ পাৰ হৈ গল । উচ্চ পদস্হ কৰ্ম্মচাৰীৰ পৰা আৰম্ভ কৰি তলৰ কেৰাণী মহৰীৰ পৰা পিয়ন চকিদাৰৰ ওচৰলৈ নোযোৱালৈকে এই দুৰ্ভগীয়া এম, এল, এ সকলৰ কোনো কাম নহয় । প্ৰতিটো বিষয়তেই আমি যদি পদে পদে চেক্ৰেটাৰী, চুপাৰিটেন্ট, কেৰাণী মহৰী, পিয়ন, চকীদাৰৰ ওচৰত গৈ আবেদন-নিবেদন নকৰো তেতিয়ালৈকে আমাৰ এই দুৰ্ভগীয়া এম, এল, এ, সকলৰ কোনো এটা কামেই নহয় । তাৰ পাছত ২।৩ বাৰ টেলিফোন কৰি ডিভিজন হেড-কোৱাটাৰৰ পৰা খবৰ পোৱা গল, কাম একো হোৱা নাই । এইটো মই উদাহৰণহে দিছো এনেকুৱা হাজাৰ হাজাৰ দৃষ্টান্ত আমাৰ হাতত আছে ।

এই লেহেম গতি কেনেকৈ আতৰ কৰিব পাৰি সেই বিষয়ে মই আপোনালোকক এটা পৰামৰ্শ দিব বিছাৰিছো । সেইটো হল চৰকাৰে এটা ঘোষণা সোনকালে কৰক, যদি কোনো এটা কাম নিৰ্দ্দিষ্ট দিনৰ ভিতৰত যেনে ৩ মাহৰ ভিতৰত কৰিব নোৱাৰে তেতিয়াহলে সেই কামটোৰ বাবে সংশ্লিষ্ট বিভাগৰ বিভাগীয় কৰ্ম্মচাৰী বা বিষয়াই কৰ্ত্তব্যৰ অৱহেলা কৰা বুলি ধৰি লোৱা হব। তাৰ কাৰণে সংশ্লিষ্ট বিষয়াক ডিচিপ্লিনাৰী একশ্যন লোৱা হব বুলি এখন চাৰ্কোলাৰ দিব লাগে, এই ক্ষেত্ৰত চৰকাৰৰ এপইচাও খৰচ নহব আৰু তাৰ দ্বাৰা আমি দেখিবলৈ পাম যে বেচি নহলেও অন্তত পক্ষে শতকৰা ১০ ভাগ কাম হব, সেয়ে নহলে বহুতো দৰকাৰী আৰু গুৰুত্বপূৰ্ণ কাম পৰি নাথাকি। প্ৰসংগ ক্ৰমে পুলিচ বিভাগৰ কথা

এটা কও বিলাসীপাৰাত এজন মানুহৰ মাটি জোৰ-জুলুম কৰি পুলিশ পোষ্ট বহুৱাইছে, সেই মাটি টুকুৰা পুলিচ বিভাগে বেদখল কৰি লৈছে। আইন অনুযায়ী অধিগ্ৰহণ কৰা হোৱা নাই। 'মৰে যাৰ মুলুক তাৰ' হোৱাৰ নিচিনা হ'ল আজি পৰ্য্যন্ত সেই মানুহ জনে কোনো ক্ষতিপূৰণ নাপালে। সেই মানুহজনে এতিয়া ক্ষতিপূৰণ বিচাৰি হাজাৰ হাজাৰ টকা খৰচ কৰিব লগা হৈছে। আৰু কিমান দিন এনেদৰে চলিব তাৰ কোনো ইয়ত্বা নাই। গতিকে এনেবোৰ কথালৈ লক্ষ ৰাখি চৰকাৰে প্ৰশাসন যন্ত্ৰটো দ্ৰুতগামী কৰিবৰ কাৰণে গভীৰ ভাবে চিন্তা কৰা প্ৰয়োজন।

এই ঘটনা সম্পৰ্কে আই, জি, পিক কোৱা হল। কোৱাত আই, জি, পি এ কথাটো 'ৰেগুলাৰাইজ' কৰিলে। এইটো বহুত বছৰৰ কথা। কিন্তু আজিলৈকে হলে সেই মানুহজনে কোনো ক্ষতি পূৰণ নেপালে। এতিয়া ক্ষতি পূৰণৰ টকা আদায় কৰিবৰ কাৰণে অফিচে অফিচে ঘূৰি ফুৰোতেও এই মানুহ জনৰ প্ৰায় দেৰহাজাৰ, দুহেজাৰ টকা খৰছ হৈছে। এই দৰে আৰু কিমান দিন থাকিব সেইটোৰ কোনো ইয়ত্বা নাই। এইবোৰ কথা লক্ষ কাৰব লগীয়া বিষয়। আজি সাধাৰণ প্ৰশাসনৰ ক্ষেত্ৰত আৰু অলপ দ্ৰুতগামী কেনেকৈ কৰিব পাৰি সেই কথাটো গভীৰ ভাবে চিন্তা কৰাটো উচিত। মই ভাবো যে, আমাৰ মন্ত্ৰী সকলে যদি এই বিষয়ে কিবা বিশেষ ব্যৱস্থা লয় তেতিয়া হলে, নিশ্চয় কিবা এটা হব পাৰে। আজি মন্ত্ৰী সকলৰ ওচৰলৈ হাজাৰ হাজাৰ দৰ্খাস্ত আহি থাকে। সেই বিলাক আমাৰ মন্ত্ৰী সকলে চহী কৰি পঠিয়াই দিয়ে আৰু যেতিয়াই তেওঁলোকে সেইবোৰ চহী কৰোৱাই পঠিয়াই দিয়ে তেতিয়াই সেই সকলো বিলাক মহা সমুদ্ৰত বিলীন হৈ যায়। কোনেও কব নোৱাৰা হয় কৰ দৰ্খাস্ত কলৈ গল? এসপ্তাহ মানৰ পিছত যদি সেই কামটোৰ কাৰণে মন্ত্ৰী মহোদয়ৰ ওচৰলৈ অহা যায় খবৰ আদি কৰিবৰ কাৰণে তেতিয়া তেখেতেও সেইটো পাহৰি লোৰ। অৱশ্যে পাহৰাটো মানুহৰ পক্ষে সম্ভৱ। ইমানবোৰ কথা মনত ৰখাটো কেতিয়াও সম্ভৱপৰ নহয়। সেই কাৰণেই কিছুমান জৰুৰী কথা তথা ৰাজহুৱা স্বাৰ্থৰ লগত জড়িত হৈ থকা কথা মন্ত্ৰী মহোদয়ে সকলে 'ডায়েৰী'ত নোট কৰি থব লাগে যাতে সেই কথা বিলাক পাহৰিব নোৱাৰে আৰু সময়ত যাতে সেই বিলাক তদাৰক কৰিব পাৰে। আজি মন্ত্ৰী মহোদয় সকলে এনেকুৱা এটা ব্যৱস্থা কৰিব পাৰে যে, কোনো এটা নিৰ্দ্দিষ্ট কাম এক নিৰ্দ্দিষ্ট দিনত কৰিবই লাগিব আৰু সেই বিলাকৰ সংশ্লিষ্ট ফাইল আদি মন্ত্ৰী মহোদয়ৰ ওচৰত সময়মতে হাজিৰ কৰিবই লাগিব লাগিলে সেইটো কৰিব পাৰকেই বা নোৱাৰকেই যাতে আকৌ কামটোৰ কাৰণে প্ৰয়োজনীয় কিবা আদেশ দিয়া যায় বা অন্যান্য প্ৰয়োজনীয় আৰু আনুসঙ্গিক নিৰ্দ্দেশ জাৰি কৰিব পাৰে। যেনেকৈ আমাৰ কৰ্ট বিলাকত দিন দিয়া হয়। আৰু সময় মতে যদি এই বিলাক আদেশ মতে হাজিৰ কৰিব নোৱাৰে তেনেহলে, কৰ্ত্তব্যৰ অৱহেলা বুলি গণ্য কৰি উপযুক্ত শাস্তিৰ ব্যৱস্থা কৰিব লাগে। সেয়ে হলে কাম বিলাক সময়মতে হব, দুৰ্নীতি মুক্ত হব আৰু ৰাইজৰো যথেষ্ট অসুবিধা দূৰ হব, এনেয়ে আমাৰ দুখীয়া নিচলা ৰাইজে ন্যায় বিচাৰি হাবাথুৰি খাই ফুৰিব নেলাগিব। এই কথাটোত কোনো টকা পইচা খৰচ নকৰাকৈয়ে কৰিব পাৰি। এনেকুৱা এখন চাৰ্কোলাৰ দিবলৈ চৰকাৰৰ কোনো পইচা নেলাগে খৰছ নহয়। আজি অন্য কথা নকওঁৱেই, জিলা পৰ্য্যায়তে আমাৰ মানুহ বিলাকৰ যি হাৰাশাস্তি হৈছে সেইটো ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। চাৰ্কোল অফিচ বিলাকত মানুহৰ যি অৱস্থা দেখিলে সচাঁকৈয়ে দুখ লাগে। আগৰ দিনত জামদাৰী প্ৰথা প্ৰৱৰ্ত্তিত থকা অৱস্থাতো ঘৰে ঘৰে মহৰী আদি গৈ খাজনা আদি তুলিছিল আৰু মানুহেও খাজনা আদি দিছিল। কিন্তু আজি কালি খাজনা আদি তোলাৰ বাবত থকা বিষয়া সকলে খাজনা আদি তোলা বিষয়ত কোনো মূৰ নঘমাই। অৱশ্যে খাজনা দিয়া নিয়মটো একেবাৰেই উঠাই দিয়াৰেই ব্যৱস্থা কৰিব লাগে। কিন্তু যিহেতু বৰ্ত্তমানেও নিয়ম এটা আছে সেই কাৰণে আমি তাক উলাইও কৰিব নোৱাৰো। খাজনা আদি দিবলৈ আহিলেও এই দায়িত্বত থকা লোকসকলে খাজনা আদি লবলৈ অমান্তি হয় বহুত সময়ত নানান অজুহাট দেখুৱাই। আৰু কেতিয়াবা

এনেকুৱাও হয় যে, ১০ টকাৰ খাজনা দিব লগা হলেও তাৰ ৰিচিপ্ট খন পাবৰ কাৰণেও আকৌ বেলেগে ৫ টকামান ভৰিব লগা হয়। এসময়ত তৌজিবাহি খাজনাৰ মাটি হঠাতে হৈ পৰিল খাচ। মাটিৰ মালিকে দেখি অবাক, তৌজিবাহিৰ খাজনা এতিয়া আৰু নহয় কাৰণ মাটি খাছ হৈ গল। তাৰ্পিছত এতিয়া এই মানুহবোৰক উচ্ছেদেই হবলগীয়া হল। গতিকে সকলো কথা ইমানতেই আধ্যা পৰিল। এইদৰে গাওঁত মণ্ডল বিলাকে যি বিভীষিকাৰ সৃষ্টি কৰিছে সেইটো কোনো বাৰ্তাৰ কাকতৰ প্ৰতিনিধিয়ে প্ৰকাশ নকৰে। কাৰণ বাৰ্তাৰ কাকতত বাৰ্তাৰ দিয়া সকলে আমাৰ গাওঁলৈ নেযায়। মহোদয়, আপুনি আচৰিত হব যে, গাৱঁত কিছুমান 'টাউট' আছে যিবিলাকে কিছুমান চৰকাৰী মাটিকে নিজৰ বুলি ঘোষণা কৰিব আৰু কব যে, সেই মাটিবোৰ তেওঁ বিক্ৰী কৰিব।কোনোবাই ইচ্ছা কৰিলে সেই মাটি কিনি লব পাৰে। আমাৰ হোজা মানুহ বিলাকে একো বুজি নেপাই। তেওঁলোকে ভাৱে যে, এই মানুহ জনে অফিচত গৈ অফিচাৰৰ লগত কথা-বতৰা পাতিব পাৰে যেতিয়া সচাঁকৈয়ে এওঁ এজন জ্ঞানী মানুহেই। গতিকে তেওঁ যি কব তাকে বিশ্বাসো কৰে সেই বিশ্বাসতে তেওঁক যেয়ে যি পাৰে দুই, তিনিশ টকা দিলে আৰু তেওঁও কিছুমান জাল কাগজ-পত্ৰ আদি দিলে। দখল আদিও বুজাই দিলে। কিন্তু হঠাতে এদিন যেতিয়া উচ্ছেদৰ হুকুম আহিল তেতিয়াটো হাহাঁকাৰৰ সৃষ্টি হল। এইদৰেই আমাৰ কথা বিলাক চলি আছে। এইবোৰ আমাৰ ৰাজহ বিভাগৰ কৰ্ম্মচাৰী বোৰৰ চক্ৰান্ততে হয়। তেওঁলোকৰ ষড়যন্ত্ৰতেই এইবোৰ সদায় ঘটি আছে। এই বিলাক দেখিলে এনেহে লাগে যেন আমাৰ দেশত প্ৰশাসন বোলা বস্তু এটা যেন নায়েই আৰু অৰাজকতাইহে যেন বিৰাজ কৰিছে। কিছুদিনৰ আগেয়ে হোৱা এটা কথা মই কব পাৰো। কিছুমান মানুহে মাছ মাৰিবলৈ গৈছিল। পুলিচে কোনো আদেশ আদি নোপোৱাকৈ কিছুমান বি, এছ, এফ ৰ মানুহ লৈ গৈ মাৰ-ধৰ আৰম্ভ কৰি দিলে আৰু বহুতো মানুহ তাত জখম হৈ পৰিল। এই বিষয়ে প্ৰতিবাদ কৰা হল কোনো তাৰ কোনো প্ৰতিকাৰ নাই। কোনেও কাকো পৰোৱাই নকৰে। এয়ে হল সংসদী গণতন্ত্ৰ কোনেও কাকো পৰোৱা নকৰা। সৌ সিদিনাখনৰ কথা, কবলৈ দুখ লাগে। মুখ্য মন্ত্ৰীৰ এজন প্ৰাইভেট চেক্ৰেটেৰীৰ কথা। মুখ্য মন্ত্ৰীৰ তাত মানুহৰ ভিৰ। সকলোৰেই বিভিন্ন জেগাৰ পৰা আহিছে বিভিন্ন কামত মুখ্য মন্ত্ৰীক লগ ধৰিব। কিন্তু মুখ্য মন্ত্ৰীৰ ব্যক্তিগত সচিব জনে তেখেত সকলক ভিতৰলৈ যাবলৈ দিয়া নাইকীয়া। মইও তাতে আছিলো। মুখ্য মন্ত্ৰীৰ ব্যক্তিগত সচিব জনে এনেকুৱা এটা মন্তব্য কৰিছে যিটো সহ্য কৰা কাৰো পক্ষে সম্ভৱপৰ নহব। তেখেতে মানুহ বিলাকক উদ্দেশ্য কৰি এনেকৈ কৈছে যে, আমাৰ অসমীয়া মানুহ বিলাকে এতিয়াও 'ডিচিপ্লিন' শিকিবলৈ বাকী আছে। তেওঁলোক যাওঁক পাহাৰলৈ। তাত তাত সেই পাহাৰীয়া মানুহ বিলাকৰ পৰা 'ডিচিপ্লিন' শিকি আহকগৈ। তেওঁ আৰু এই বুলিও কৈছে যে, আগৰ মুখ্য মন্ত্ৰী জনক আমাৰ এম, এল, এ সকলে ভয় কৰিছিল কিন্তু কিন্তু এতিয়াৰ মুখ্য মন্ত্ৰী জনক কোনেও পৰোৱাই নকৰা হৈছে। কথাটো শুনি মই অৱশ্যে প্ৰতিবাদ নকৰাকৈ থাকিব নোৱাৰিলো কিন্তু সেই লোক জনে মোকো উত্তৰ দিলে এইবুলিহে—"you may pursue the matter if you like" তেতিয়া মোৰ মুখ বন্ধ হল, মই আৰু একো মাতিব নোৱাৰা হলো। আমি নেজানিলো এই ভদ্ৰলোক জন কৰ পৰা আহিছে অসমীয়া মানুহক 'ডিচিপ্লন' শিকিবলৈ উপদেশ দিবলৈ।

**Shri DULAL CHANDRA BARUA** : If it is so, then he is to o Unless he is removed, we are not going to see the Chief Minister. It is a great Insult to the entire Community.

শ্ৰীগিয়াচ উদিন আহমেদ :

যোৱা ভাষা আন্দোলনৰ সময়ত আমি বহুত খবৰেই পাইছো আৰু সেই বিলাক শুনিছো, কি চলিছে, গোটেই প্ৰশাসন ব্যৱস্থা কি হল, এই বিলাক কথা কবলৈ গলে বহুত সময় লাগিব, গতিকে কব খোজা নাই।

**Mr. Speaker**: According to time limit we will have to finish.

**Shri DULAL CHANDRA BARUA**: Sir, I am sorry to tell that the circumstances are so, that even we are not in a position to go through the agenda. I don't know how and where this could not catch our eyes. One day is not sufficient and we need atleast one day more.

হাউচে এগ্রি কৰিলে উপায় নাই। ইমানবোৰ বস্ত একেলগে এদিনতে আনটো অৱশ্যে আমাৰেই ভূল। কিন্তু আমি যিবিলাক কথা কৈছো তাৰ উত্তৰ মুখ্য মন্ত্ৰীয়ে দিয়া হলে আমি ভাল পালোহেতেন। কালিলৈ আকৌ এই বিষয়টো দিলে ভাল হয় কিন্তু আমি জানো আপুনি নিদিব।

**Mr. Speaker**: That will disturb the whole programme. That I can do. I do not like to disturb the programme.

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা আপুনী ইচ্ছা কৰিলে পাৰে, চাৰ।

